# অন্য এক জ্যোতিপ্ৰসাদ

প্ৰসেনজিৎ চৌধুৰী

ৰবীন্দ্ৰনাথ-বিৰচিত ‘গোৰা’ এখন (একটি) বহুচৰ্চিত বহুমাত্ৰিক ধ্ৰুপদী উপন্যাস। ‘গোৰা’-ৰ বিষয়বস্তু, সামাজিক পটভূমি আৰু (আর) কেন্দ্ৰীয় চৰিত্ৰটোক (চরিত্রটিকে) কেন্দ্ৰ কৰি (করে) যথেষ্ট আলোচনা-বিলোচনা হৈছে (হয়েছে)। এই অভাজনেও প্ৰায় এক দশক পূৰ্বে ‘গোৰা, ৰবীন্দ্ৰনাথ আৰু হিন্দু পুনৰুত্থানবাদ’ শীৰ্ষক নিবন্ধত উপন্যাসখনৰ বিশেষ কেতবোৰ দিশ (কয়েকটা দিক) ফঁহিয়াই চাবলৈ (পুঙ্খানুপুঙ্খভাবে বিশ্লেষণ করে দেখার) যত্ন কৰিছিল (চেষ্টা করেছিল)। অপ্ৰতুল অধ্যয়নৰ ভিত্তিত লিখিলেও সেই প্ৰবন্ধ-ৰচনাৰ প্ৰক্ৰিয়াত আমি (আমরা) এটা অতিকৈ (একটা অত্যন্ত) তাৎপৰ্যপূৰ্ণ কথা লক্ষ্য কৰিছিলোঁ (করেছিলাম) : ভাৰতীয় পৰিচিতি (identity)-ৰ চৰিত্ৰ কেনে হোৱা (কেমন হওয়া) উচিত, কোনবোৰ (কোন্ ধরনের) উপাদানে ভাৰতীয়ত্বৰ ভেটি (ভিত্তি) ভাঙোনমুখী কৰিব (করতে) পাৰে, সংকীৰ্ণতাৰ পঙ্কৰ পৰা (পঙ্ক থেকে) মুক্ত হ'ব নোৱাৰিলে (হতে না-পারলে) বহল (বিস্তৃত) জাতীয় পৰিচিতি নিৰ্মাণৰ সমগ্ৰ প্ৰক্ৰিয়াটোৱেই জানো (প্রক্রিয়াটাই বুঝি) পণ্ডশ্ৰমলৈ (পণ্ডশ্রমে) পৰ্যবসতি নহব (হবে না)— এনেবোৰ (এ-জাতীয়) সমস্যা-সংকুল প্ৰশ্নই ৰবীন্দ্ৰনাথক বৰকৈ ভবাই তুলিছিল (বেশি করে ভাবিয়ে তুলেছিল)।

ৰবীন্দ্ৰনাথে সৃষ্টি কৰা গোৰা চৰিত্ৰটো সংকীৰ্ণ পৰিচিতিৰ সম্যক প্ৰতিভূ। হিন্দুত্ব-কেন্দ্ৰিক, হৈমালয়িক অহংকাৰেই তেওঁৰ (তাঁর) ব্যক্তিত্বৰ বৈশিষ্ট্য। পিছে (শেযে) উপন্যাসখনৰ অন্তিমাংশত ঘটনাক্ৰমে গোৰাই জানিব পাৰিলে (জানতে পারলেন) যে জন্মসূত্ৰে তেওঁ (তিনি) খৃষ্টান, হিন্দু সমাজৰ চৌহদত (চৌহদ্দিতে) তেওঁৰ (তাঁর) প্ৰবেশাধিকাৰ নাই। এই পৰিবৰ্তিত পৰিস্থিতিত গোৰাৰ পূৰ্বৰ ধৰ্মাশ্ৰয়ী পৰিচিতি অপ্ৰাসংগিক হৈ পৰিল (হয়ে পড়ল), তেওঁৰ (তাঁর) চিন্তা-ভাবনাই এক নতুন মোৰ ললে (মোড় নিল)। উপন্যাসখনৰ শেষৰ পিনে (শেষের দিকে) গোৰাই তেওঁৰ (তাঁর) নৱলব্ধ প্ৰত্যয় সদৰী কৰিছে (ব্যক্ত করেছেন) ঋজু ভংগীৰে : “আমি আজ ভারতবর্ষীয়। আমার মধ্যে হিন্দু, মুসলমান, খৃষ্টান কোনো সমাজের কোনো বিরোধ নেই। আজ এই ভারতবর্ষের সকল জাতই আমার জাত, সকলের অন্নই আমার অন্ন।” বুজা (বোঝা) যায়, ধৰ্মীয় ঐতিহ্যক আত্ম-পৰিচিতিৰ আধাৰ হিচাবে (হিসাবে) উৎসাহেৰে আকোঁৱালি লোৱা (উৎসাহের সঙ্গে আঁকড়ে-নেওয়া) গোৰাৰ উত্তৰণ ঘটিল (ঘটল) এক উন্নত-উজ্জ্বল স্তৰলৈ (স্তরে)। ভাৰতীয়ত্বৰ ধৰ্মমুক্ত (secular) সংজ্ঞাৰ আকৰ্ষণ, ঔদাৰ্য, শক্তি, প্ৰয়োজন আৰু (এবং) মহত্ত্ব গোৰাই মৰ্মে মৰ্মে উপলব্ধি কৰিলে (করলেন)। নকলেও হ'ব (না-বললেও হবে) যে গোৰাৰ এই উত্তৰণ বহুলাংশে ৰবীন্দ্ৰনাথৰ স্বীয় ভাব-ভুৱনৰ বিৱৰ্তনৰ (ভাব-বিশ্বের বিবর্তনের) এক বিশ্বাসযোগ্য বিম্ব (প্রতিচ্ছবি)।

আপোনালোকে (আপনারা) নিশ্চয় ভাবিছে (ভাবছেন), জ্যোতিপ্ৰসাদ আগৰৱালা বিষয়ক আলোচনাৰ আৰম্ভনিতেই (শুরুতেই) ৰবীন্দ্ৰনাথৰ প্ৰসংগ অৱতাৰণা কৰাৰ কাৰণ কি? কাৰণ নিশ্চয় আছে আৰু সাম্প্ৰতিক পটভূমিত সেই কাৰণটোৰ তাৎপৰ্য তথা প্ৰাসংগিকতা অনস্বীকাৰ্য। কথা হ'ল, ৰবীন্দ্ৰনাথৰ দৰে (মতো) আধুনিক অসমৰ যুগ-নায়ক স্ৰষ্টা-চিন্তাবিদ জ্যোতিপ্ৰসাদেও জাতীয় পৰিচিতিৰ লগত (সঙ্গে) ধৰ্মীয় বিশ্বাসক সাঙুৰি পেলাব বিচৰা নাছিল (মিশিয়ে ফেলতে চাননি)। জ্যোতিপ্ৰসাদে ধৰ্মীয় পৰিচিতিক আওকাণ কৰা নাই (অবজ্ঞা

কৰেননি), কিন্তু সকলোকে আকোঁৱালি (সবকিছু আঁকড়ে ধৰে) বৃহত্তৰ পৰিচিতি গঠনৰ প্ৰক্ৰিয়াত তেওঁ (তিনি) তাৰ কোনো সৃজনধৰ্মী ভূমিকা দেখা নাই (দেখেননি)। ('গোৰা'-ৰ শেষাংশত ধৰ্মই সৃষ্টি কৰা গণ্ডী চেৰাই যোৱাৰ (পেরিয়ে যাওয়ার) যি (যে) বৃত্তান্ত পঢ়িবলৈ পাওঁ (পড়তে পাই) তাৰ পৰা (তা থেকে) ধাৰণা হয় যে ৰবীন্দ্ৰনাথও নিশ্চয় সমধৰ্মী বলিষ্ঠ মীমাংসাত উপনীত হৈছিল।) লক্ষণীয় বিষয়, ভাৰতীয়ত্ব আৰু অসমীয়াত্ব দুয়োটা পৰিচিতিৰ নিৰ্মাণ আৰু প্ৰক্ষেপণৰ বেলিকা (বেলায়) জ্যোতিপ্ৰসাদে ধৰ্মীয় বিশ্বাসক প্ৰশ্ৰয় দিয়া নাই (দেননি)। মৃত্যুৰ কেইবছৰমান আগতে লিখা (কয়েক বছর আগে লেখা) 'অসমৰ নবীন জোৱানৰ সংকল্প' নামৰ কবিতাত (কবিতায়) উদাত্ত কণ্ঠে জ্যোতিপ্ৰসাদে ঘোষণা কৰিছে (করেছেন) :

*যি কি ধৰ্ম নহওক তোৰ*
*বামুন-শূদিৰ যিয়েই নহৰ*
*হিন্দু বা মুছলমান*
*বৌদ্ধ হৰ, খ্ৰীষ্টান হৰ*
*মাথোঁ মনত ৰাখিবি তই অসমৰ ন-জোৱান।*

(জ্যোতিপ্ৰসাদ ৰচনাৱলী, ২য় সংস্কৰণ, পৃ. ৭৬৬)

(যে-কোনো ধর্ম তোর হোক-না
ব্রাহ্মণ-শূদ্র যা-ই না-হবে
হিন্দু বা মুসলমান
বৌদ্ধ হবে, খ্রিষ্টান হবে
শুধু মনে রাখবি তুই অসমের নতুন-জোয়ান।)

সামাজিক প্ৰাণী হিচাপে (হিসাবে) মানুহৰ (মানুষের) একাধিক পৰিচিতি (identity) থাকে— ভাষিক, শ্ৰেণীগত, সাংস্কৃতিক, ধৰ্মীয়, ভৌগোলিক, পেছাগত (পেশাগত) ইত্যাদি। এইবোৰে (এগুলো) যেনেকৈ (যেমনভাবে) সংহতিৰ সূচনা কৰে তেনেকৈ (তেমনিভাবে) বিভাজনৰো (বিভাজনেরও) সৃষ্টি কৰে। অৱশ্যে (অবশ্য) সকলো পৰিচিতিৰ প্ৰভাৱ তথা ভূমিকা সমানেই গুৰুত্বপূৰ্ণ নহয়। যেনে (যেমন), পেছাগত (পেশাগত) পৰিচিতিৰ ভিত্তিত খেলুৱৈসকল (খেলোয়াড়রা) সমগোত্ৰীয় হ'লেও তাৰ সামাজিক প্ৰভাৱ লেখত ল'বলগীয়া নহয় (উল্লেখযোগ্য নয়)। আনহাতে (অন্যদিকে) ধৰ্মীয় পৰিচিতিৰ ভূমিকা সুগভীৰ আৰু (এবং) সুদূৰপ্ৰসাৰী। ইয়াৰ ওপৰত (এর ওপর) মাত্ৰাধিক গুৰুত্ব দিলে সমাজ-জীৱনত সৃষ্টি হয় অসূয়া-অমংগল তথা অনৈক্যৰ, ৰাজনীতিত প্ৰকট হয় ধৰ্মীয় মেৰুকৰণ। জ্যোতিপ্ৰসাদে এই সত্য উপলব্ধি কৰিব পৰা (করার) কাৰণে তেওঁ (তিনি) প্ৰাতিষ্ঠানিক ধৰ্মসমূহৰ কৃত্ৰিম বিভাজনবোৰক উপেক্ষণীয় বুলি গণ্য কৰিছিল (করেছিলেন)। ইয়াৰ প্ৰাঞ্জল প্ৰমাণ আমি (আমরা) ওপৰত তুলি দিয়া (উপরে উদ্ধৃত) কবিতা ফাঁকি (পঙ্‌ক্তি)— য'ত (যেখানে) হিন্দু, মুছলমান, খ্ৰীষ্টান, বৌদ্ধ আদি ধৰ্মীয় পৰিচিতিক কোনো গুৰুত্ব দিয়া হোৱা নাই (দেওয়া হয়নি)। আনকি (এমন-কি) বামুন-শূদিৰৰ দৰে (ব্রাহ্মণ-শূদ্রের মতো) হিন্দু সমাজৰ বৰ্ণ-পৰিচিতিক— যাক বোধহয় হিন্দু উপপৰিচিতি (sub-identity) বুলিব (বলতে) পাৰি— তাকো (তাকেও) উপেক্ষা কৰা হৈছে (হয়েছে) বৃহৎ পৰিচিতি নিৰ্মাণৰ প্ৰয়োজনত।

জ্যোতিপ্ৰসাদে জাতীয় পৰিচিতিৰ প্ৰসংগত ধৰ্ম বিশ্বাসক গুৰুত্বহীন অথবা গৌণ জ্ঞান কৰাৰ যি (যে) সবল আৰু (এবং) সুচিন্তিত স্থিতিৰ পৰিচয় দিব পাৰিছিল (দিতে পেরেছিলেন) তাৰ উৎস কি? প্ৰথমেই ক'ব লাগিব (বলতে হবে) যে জ্যোতিপ্ৰসাদে এই মূল্যৱান শিক্ষা আন্তৰিকতাৰে আহৰণ কৰিছিল (করেছিলেন) বুৰঞ্জীৰ পৰা (ইতিহাস থেকে)। নিৰ্মোহ বস্তুনিষ্ঠ দৃষ্টিভংগীৰে ফঁহিয়াই চালে (বিশ্লেষণ করলে) এই কথা পৰিষ্কাৰ হয় যে, সম্প্ৰদায়গত আভ্যন্তৰীণ সংহতিত বৰঙনি যোগালেও (অবদান জোগালেও), ধৰ্মই বহুক্ষেত্ৰত সম্প্ৰদায়-বহিৰ্ভূত মানুহখিনিৰ (মানুষটির) প্ৰতি এক ধৰণৰ নিৰ্লিপ্ত, অৱজ্ঞাপূৰ্ণ বা বিদ্বেষাত্মক মনোভাৱৰ জন্ম দিয়ে (দেয়)। (এনে (এইরকম) মনোভাৱে কেতিয়াবা (কখনো-বা) সম্প্ৰদায়ৰ ভিতৰৰ উপ-সম্প্ৰদায়বোৰৰ মাজৰ (মধ্যেকার) সম্পৰ্কেকো (সম্পর্কেকেও) প্ৰদূষিত কৰে।) ইতিহাসৰ একনিষ্ঠ ছাত্ৰ জ্যোতিপ্ৰসাদ ধৰ্মীয় পৰিচিতিৰ এনে (এইরকম) নেতিবাচক ভূমিকা সম্পৰ্কে নিশ্চয় সচেতন আছিল (ছিলেন)। ৰবীন্দ্ৰনাথৰ ৰচনাতো (রচনাতেও) আমি (আমরা) এই ভূমিকাৰ আভাস পাওঁ (পাই)। 'ধৰ্মমোহ' নামৰ কবিতাত তেওঁ কৈছে (তিনি বলেছেন) :

ধর্মের বেশে মোহ যারে এসে ধরে
অন্ধ সে জন মারে আর শুধু মরে।

ধৰ্মান্ধতাৰ ক্ষতিকৰ ভূমিকা অনুধাৱন কৰাত সমসাময়িক কেতবোৰ ঘটনায়েও (কয়েকটা ঘটনাও) জ্যোতিপ্ৰসাদক সহায় কৰিছিল বুলি (করেছিল বলে) অনুমান কৰিব (করতে) পাৰি। ভাৰতৰ স্বাধীনতা-সংগ্ৰামৰ এজন (একজন) আত্মোৎসৰ্গিত আগৰণুৱা হিচাপে (অগ্রগামী সৈনিক হিসাবে) তেওঁ (তিনি)

নিশ্চয় উপলব্ধি কৰিছিল (করেছিলেন) যে সমাজত বৰ্তি থকা ধৰ্মীয় বিভাজনবোৰক (বিভাজনগুলিকে) ক্ষমতা-খকুৱা (ক্ষমতালিপ্সু) ৰাজনৈতিক শক্তিবোৰে (শক্তিগুলি) নিজৰ স্বাৰ্থসিদ্ধিৰ উদ্দেশ্যে অপব্যৱহাৰ কৰে। এনে পৰিস্থিতিত আপাতদৃষ্টিত স্বাভাৱিক যেন লগা (মনে হওয়া) বিভাজনবোৰ (বিভাজনগুলি) অস্বাভাৱিক বিৰোধ-বিদ্বেষলৈ পৰ্যবসিত হয়।

ভাৰতৰ সমাজ-জীৱন বাৰম্বাৰ সাম্প্ৰদয়িক বিষ বাষ্পৰ দ্বাৰা প্ৰদূষিত হোৱাৰ ৰক্তাক্ত কাহিনী আমি (আমরা) নিকট অতীতৰ ইতিহাসত পঢ়িবলৈ পাওঁ (পড়তে পাই)। জ্যোতিপ্ৰসাদৰ অন্তৰ্ভেদী দৃষ্টিত এনে (এ-জাতীয়) সংহতি-সংহাৰী ঘটনাৰ প্ৰচ্ছন্ন উৎসৰ স্বৰূপ নিশ্চয় ধৰা পৰিছিল (পড়েছিল)। এই প্ৰচ্ছন্ন উৎসৰ— অৰ্থাৎ ধৰ্মীয় বিভাজনৰ বৈৰীমূলক অভিব্যক্তিৰ— চোক কমাবলৈ (ধার কমানোর জন্য) জ্যোতিপ্ৰসাদে সচেতনভাৱে চেষ্টা কৰাৰ শ্লাঘনীয় সাক্ষ্য তেওঁৰ (তাঁর) সৃষ্টিত আছে। 'লভিতা' নামৰ অনবদ্য নাটকখনত আমি (নাটকটিতে আমরা) ইলাহী বকছ্ চৰিত্ৰটো পাওঁ (পাই)। জ্ঞাতিয়ে প্ৰায় পৰিত্যাগ কৰা লভিতাক আশ্ৰয় দিছে (দিয়েছেন) ইচলাম ধৰ্মাৱলম্বী ইলাহীয়ে। তেওঁ (তিনি) আচলতে (আসলে) উদাৰ-উষ্ণ মানৱীয়তাৰ মূৰ্ত প্ৰতিভূ। এই প্ৰসংগত 'অসমীয়া ছোৱালীৰ (মেয়ের) উক্তি' নামৰ কবিতাটোলৈ আঙুলিয়াব (কবিতাটির দিকে অঙ্গুলিনির্দেশ করতে) পাৰি। কবিতাটোত তেওঁ (তিনি) হিন্দু আৰু (আর) মুছলমানৰ সুকীয়া (পৃথক) ধৰ্মীয় সত্তা বৃহৎ অসমীয়া পৰিচিতিত একীভূত হোৱাৰ (হওয়ার) ঐকান্তিক ইংগিত দিছে (দিয়েছেন) :

*হিন্দুকুমাৰী ময়ে*
*দিলোঁ আজি মংগল উৰুলি*
*লাগি য'ক দেশে দেশে*
*উদুলি-মুদুলি।*
... ... ...
*মন্দিৰে মন্দিৰে*
*ধূপ-দীপ চন্দনেৰে*
*জ্বলাই নতুন এক চাকি*
*দেওধনী হৈ নাচি,*
*আলোকৰ কৰিছোঁ আৰতি*
*জাগা-জাগা পূৰ্ব-ভাৰতী!*
*ময়ে ইছ্‌লামীবালা*
*বুকুত শোভিছে মোৰ*
*কোৰাণ-ছৰিফৰ*
*কহিনুৰ মালা।*
... ... ...
*নামাজ নমিতা মই*
*ৰম্‌জানব্ৰতা মই*
*লুইতৰ পাৰতেই*
*ফুলাই তুলিম মোৰ*
*অতিকে আপোন*
*আৰবীয় জোনালীৰ*
*সোনালী সপোন;*
*অসমীয়া জীৱনৰ*
*ময়ে ন-জোন।*
*ময়ে ন-জোন।*
(পৃ. ৭৪৬-৪৭)

(হিন্দুকুমারী আমি
দিলাম আজ মঙ্গল উলুধ্বনি
শুরু হোক দেশে দেশে
অবিরাম কোলাহল।
... ... ...
মন্দিরে মন্দিরে
ধূপ-দীপ চন্দন দিয়ে
জ্বালিয়ে এক নতুন বাতি
দেবধ্বনি দিয়ে নেচে,
আলোকের করছি আরতি
জাগো-জাগো পূর্ব-ভারতী!
আমিই ইসলামিবালা
বুকে শোভিছে আমার
কোরান-শরিফের
কোহিনুর মালা।
... ... ...
নামাজ প্রণতা আমি
রমজানব্রতা আমি
লুইতের পারেই
ফুটিয়ে তুলব আমার
আরবীয় জ্যোৎস্নার

নিশ্চয় উপলব্ধি কৰিছিল (করেছিলেন) যে সমাজত বৰ্তি থকা ধৰ্মীয় বিভাজনবোৰক (বিভাজনগুলিকে) ক্ষমতা-খকুৱা (ক্ষমতালিপ্সু) ৰাজনৈতিক শক্তিবোৰে (শক্তিগুলি) নিজৰ স্বাৰ্থসিদ্ধিৰ উদ্দেশ্যে অপব্যৱহাৰ কৰে। এনে পৰিস্থিতিত আপাতদৃষ্টিত স্বাভাৱিক যেন লগা (মনে হওয়া) বিভাজনবোৰ (বিভাজনগুলি) অস্বাভাৱিক বিৰোধ-বিদ্বেষলৈ পৰ্যবসিত হয়।

ভাৰতৰ সমাজ-জীৱন বাৰম্বাৰ সাম্প্ৰদায়িক বিষ বাষ্পৰ দ্বাৰা প্ৰদূষিত হোৱাৰ ৰক্তাক্ত কাহিনী আমি (আমরা) নিকট অতীতৰ ইতিহাসত পঢ়িবলৈ পাওঁ (পড়তে পাই)। জ্যোতিপ্ৰসাদৰ অন্তৰ্ভেদী দৃষ্টিত এনে (এ-জাতীয়) সংহতি-সংহাৰী ঘটনাৰ প্ৰচ্ছন্ন উৎসৰ স্বৰূপ নিশ্চয় ধৰা পৰিছিল (পড়েছিল)। এই প্ৰচ্ছন্ন উৎসৰ— অৰ্থাৎ ধৰ্মীয় বিভাজনৰ বৈৰীমূলক অভিব্যক্তিৰ— চোক কমাবলৈ (ধার কমানোর জন্য) জ্যোতিপ্ৰসাদে সচেতনভাৱে চেষ্টা কৰাৰ শ্লাঘনীয় সাক্ষ্য তেওঁৰ (তাঁর) সৃষ্টিত আছে। 'লভিতা' নামৰ অনবদ্য নাটকখনত আমি (নাটকটিতে আমরা) ইলাহী বকছ্ চৰিত্ৰটো পাওঁ (পাই)। জ্ঞাতিয়ে প্ৰায় পৰিত্যাগ কৰা লভিতাক আশ্ৰয় দিছে (দিয়েছেন) ইচলাম ধৰ্মাৱলম্বী ইলাহীয়ে। তেওঁ (তিনি) আচলতে (আসলে) উদাৰ-উষ্ণ মানৱীয়তাৰ মূৰ্ত প্ৰতিভূ। এই প্ৰসংগত 'অসমীয়া ছোৱালীৰ (মেয়ের) উক্তি' নামৰ কবিতাটোলৈ আঙুলিয়াব (কবিতাটির দিকে অঙ্গুলিনির্দেশ করতে) পাৰি। কবিতাটোত তেওঁ (তিনি) হিন্দু আৰু (আর) মুছলমানৰ সুকীয়া (পৃথক) ধৰ্মীয় সত্তা বৃহৎ অসমীয়া পৰিচিতিত একীভূত হোৱাৰ (হওয়ার) ঐকান্তিক ইংগিত দিছে (দিয়েছেন) :

*হিন্দুকুমাৰী মযে*
*দিলোঁ আজি মংগল উৰুলি*
*লাগি য'ক দেশে দেশে*
*উদুলি-মুদুলি।*

... ... ...

*মন্দিৰে মন্দিৰে*
*ধূপ-দীপ চন্দনেৰে*
*জ্বলাই নতুন এক চাকি*
*দেওধনী হৈ নাচি,*
*আলোকৰ কৰিছোঁ আৰতি*
*জাগা-জাগা পূৰ্ব-ভাৰতী!*

*মযে ইছ্লামীবালা*
*বুকুত শোভিছে মোৰ*
*কোৰাণ-ছৰিফৰ*
*কহিনুৰ মালা।*

... ... ...

*নামাজ নমিতা মই*
*ৰমজানব্ৰতা মই*
*লুইতৰ পাৰতেই*
*ফুলাই তুলিম মোৰ*
*অতিকে আপোন*
*আৰবীয় জোনালীৰ*
*সোনালী সপোন;*
*অসমীয়া জীৱনৰ*
*মযে ন-জোন।*
*মযে ন-জোন।*
(পৃ. ৭৪৬-৪৭)

(হিন্দুকুমারী আমি
দিলাম আজ মঙ্গল উলুধ্বনি
শুরু হোক দেশে দেশে
অবিরাম কোলাহল।

... ... ...

মন্দিরে মন্দিরে
ধূপ-দীপ চন্দন দিয়ে
জ্বালিয়ে এক নতুন বাতি
দেবধ্বনি দিয়ে নেচে,
আলোকের করছি আরতি
জাগো-জাগো পূর্ব-ভারতী!
আমিই ইসলামিবালা
বুকে শোভিছে আমার
কোরান-শরিফের
কোহিনুর মালা।

... ... ...

নামাজ প্রণতা আমি
রমজানব্রতা আমি
লুইতের পারেই
ফুটিয়ে তুলব আমার
আরবীয় জ্যোৎস্নার

সোনালি স্বপ্নচ
অসমিয়া জীবনের
আমিই নব-চাঁদ।
আমিই নব-চাঁদ।)

'সংস্কৃতি'— এই শব্দটোৰ বিপুল ব্যৱহাৰ লক্ষ্য কৰা যায় জ্যোতিপ্ৰসাদৰ ৰচনা আৰু ভাষণবোৰত (ভাষণগুলিতে)। সাংস্কৃতিক অৱলম্বন হিচাপে (হিসাবে) লৈহে (নিয়েই) যেন তেওঁৰ (তাঁর) ভাবনাবোৰে (ভাবনাগুলো) জীৱন আৰু (ও) সমাজৰ বিচিত্ৰ বাটেৰে (পথে) অহৰহ অহা-যোৱা (আসা-যাওয়া) কৰিছিল (করেছিল)। জ্যোতিপ্ৰসাদৰ মতে, সংস্কৃতি কেৱল নাচ-গান-চেনেমাতেই (সিনেমাতেই) আবদ্ধ নহয় (নয়), ই (এটা) মানুহৰ (মানুষের) অন্তৰ্জীৱনকো (অন্তর্জীবনকেও) সাঙুৰি লয় (আপন করে নেয়)। 'নতুনৰ পূজা' শীৰ্ষক অভিভাষণত তেওঁ কৈছে (তিনি বলেছেন) যে কোনো লোকে যদি "মানুহৰ সৈতে (সঙ্গে) ব্যৱহাৰত আৰু সমন্ধত (ব্যবহারে আর সম্পর্ক স্থাপনে) মানসিক সুগুণবোৰ প্ৰকাশ কৰিব নোৱাৰে (করতে না-পারে) তেন্তে (তাহলে) সেই মানুহজনৰ (মানুষটির) সংস্কৃতি নিশ্চয় অসম্পূৰ্ণ বুলিব লাগিব (বলতে হবে)।" (পৃ. ৪৬৪) উক্ত অভিভাষণত জ্যোতিপ্ৰসাদে সংস্কৃতিৰ সামগ্ৰিক চৰিত্ৰ সম্পৰ্কে ব্যক্ত কৰা সূক্ষ্মদৰ্শী মত এই প্ৰসংগত প্ৰণিধানযোগ্য :

> *...সংস্কৃতি হৈছে সুন্দৰৰ পূজা।... আমি বাস্তৱিক জীৱনৰ সকলো আহিলাতে (সব দিকে) সৌন্দৰ্য্য প্ৰয়োগ কৰাৰ লগে লগে (সঙ্গে সঙ্গে) আমাৰ (আমাদের) মন আৰু (আর) হৃদয়ৰ গুণতো (গুণেও) সৌন্দৰ্য্য প্ৰয়োগ কৰোঁ (করি)। এই বাহিৰ আৰু ভিতৰ দুয়োৰে (দুয়েরই) উৎকৰ্ষণ আৰু (এবং) তাত (তাতে) সৌন্দৰ্য্য প্ৰয়োগ হ'লেই মানুষৰ সংস্কৃতিৰ পূৰ্ণৰূপ প্ৰকাশ পায়।*(পৃ. ৪৬৪)

যি গৰাকী স্ৰষ্টা-চিন্তাবিদৰ (স্রষ্টা-চিন্তাবিদ যে-ব্যক্তির) সংস্কৃতি-দৰ্শনত সৌন্দৰ্যবোধৰ প্ৰভাৱ ইমান (এতটা) প্ৰগাঢ় তেওঁ (তিনি) ধৰ্মীয় পৰিচিতি তথা ঐতিহ্যৰ প্ৰতি মোহান্ধ মনোভাৱ নেদেখুওৱাটোৱেই (না-দেখানোটাই) স্বাভাৱিক। জ্যোতিপ্ৰসাদে কামনা কৰিছিল (করেছিলেন) 'সংস্কৃতিৰ পূৰ্ণৰূপ'-ৰ প্ৰকাশ, মানুহৰ (মানুষের) 'মানসিক সুগুণবোৰ'-ৰ (সুগুণগুলোর) বিকাশ। এনে (এইরকম) অনিন্দ্য অভিপ্ৰায়ৰ সৈতে (সঙ্গে) মানুহক (মানুষকে) সচৰাচৰ কৃত্ৰিম ঠেক (সংকীর্ণ) পৰিসৰত আবদ্ধ ৰখা ধৰ্মাশ্ৰয়ী ধাৰণাবোৰ জানো (যেন) খাপ খাই (খায়)? জ্যোতিপ্ৰসাদৰ চিন্তাধাৰাৰ এই তমোঘ্ন দিশটোৰ প্ৰাসংগিকতা একৈশ (একুশ) শতিকাতো অকনো (কিছুমাত্র) হ্ৰাস পোৱা নাই (পায়নি)।

সম্প্ৰতি বহুতেই (অনেকেই) জ্যোতিপ্ৰসাদৰ উদাৰ উত্তৰাধিকাৰক (উত্তরাধিকারকে) হেলাৰঙে (অনায়াসে) নেওচা দিয়া (অবহেলা করতে) দেখা গৈছে (গেছে)। এওঁলোকৰ বিচাৰত (এঁদের বিচারে) ধৰ্মীয় পৰিচয়েই মানুহৰ (মানুষের) মৌলিক পৰিচয়। এই বিভেদকামী আৰু (আর) বিপজ্জনক প্ৰৱণতাক ৰোধ কৰাৰ প্ৰয়োজনক (প্রয়োজনকে) আজি প্ৰতিজন (প্রত্যেক) চিন্তাশীল আৰু (ও) শুভবুদ্ধিসম্পন্ন মানুহে (মানুষ) অগ্ৰাধিকাৰ দিবলৈ (দিতে) বাধ্য হৈছে (হয়েছে)। কাৰণ ধৰ্মৰ ৰহণ সানি (রং দিয়ে) ৰাজনীতি কৰাৰ যি (যে) নীতি / কৌশল তাৰ পৰা (তা থেকে) বৃহৎ সমাজৰ কোনো লাভ নহয় (হয় না)। সংখ্যাগৰিষ্ঠ-সংখ্যালঘু সকলোৰে ক্ষেত্ৰত কথাটো সঁচা (সত্য)। পিছে (তবে) পৰিতাপ আৰু (ও) উদ্বেগৰ বিষয় হল, ধৰ্মাশ্ৰয়ী ৰাজনীতিকৰ প্ৰভাৱ-প্ৰতিপত্তি দিনক-দিনে (দিনে-দিনে) বাঢ়িব ধৰিছে (বেড়ে চলেছে)। এইসকল ৰাজনীতিকে ধৰ্মীয় ঐতিহ্যৰ পৰা (ঐতিহ্য থেকে) সংগৃহীত নিৰ্বাচিত কেতবোৰ (কয়েকটা) উপাদান যধে-মধে (যেমন-তেমনভাবে) ব্যৱহাৰ কৰি (করে) নিজৰ গোপন বা ঘোষিত ৰাজনৈতিক এজেণ্ডাক বাস্তৱায়িত কৰিব বিচাৰে (করতে চায়) ছলে-বলে-কৌশলে। এই পটভূমিত আজি ধৰ্ম আৰু ধৰ্মীয় ঐতিহ্যৰ সন্দৰ্ভত জ্যোতিপ্ৰসাদৰ বক্তব্য ফঁহিয়াই চোৱাৰ (বিশ্লেষণ করে দেখার) জৰুৰী প্ৰয়োজন আছে বুলি (বলে) আমি ভাবোঁ (আমরা মনে করি)।

ভাৰতীয় ঐতিহ্যৰ সৈতে জ্যোতিপ্ৰসাদৰ সংযোগ আছিল নিবিড় আৰু গভীৰ। তেওঁৰ (তাঁর) সাংস্কৃতিক চিন্তাই প্ৰভূত পুষ্টি আহৰণ কৰিছিল দেশীয় সাংস্কৃতিক ভাণ্ডাৰৰ পৰা (ভাণ্ডার থেকে)। স্বাভাৱিকতে কালজয়ী মহাকাব্যৰ মহানায়ক ৰামৰ (রামের) উল্লেখ আমি (আমরা) তেওঁৰ (তাঁর) ৰচনাত পাওঁ (রচনায় পাই)। জ্যোতিপ্ৰসাদৰ দৃষ্টিত ৰাম অৱশ্যে বিশেষ এটা ধৰ্মীয় পৰিচিতিৰ জংগী প্ৰতীক নহয় (নয়)। 'শিল্পীৰ পৃথিৱী' শীৰ্ষক ভাষণত তেওঁ (তিনি) কৈছে (বলেছেন) যে সীতা আচলতে (আসলে) সংস্কৃতিৰ প্ৰতীক আৰু (এবং) সীতাক (সীতাকে) বীৰৰূপে ৰক্ষা কৰিছিল (করেছিলেন) 'সাংস্কৃতিক

গুণাৰোপিত বীৰ' ৰামে। (পৃ. ৪৩০, ৪৩২) ইয়াৰ পিছত (তার পরে) মানুহে (মানুষ) উপলব্ধি কৰিলে (করল) যে বীৰত্বৰ প্ৰয়োজন আছে যদিও, 'মানুহৰ পূৰ্ণ জীৱন শিল্পী ৰূপতহে (শিল্পী রূপেই) ওলাব (প্রকাশ পাবে)।' (পৃ. ৪৩২) তেতিয়া আহিল (তখন এল) কৃষ্ণৰ ধাৰণা। এই কথাখিনিকেই জ্যোতিপ্ৰসাদে কবিতাৰ মাজেৰে (মধ্য দিয়ে) এইদৰে (এইভাবে) ব্যক্ত কৰিছে (করেছেন):

*ৰাম ৰূপে ময়ে*
*অসুৰ বিনাশী ধৰিলোঁ ধনুৰ্বাণ,*
*কৃষ্ণ ৰূপেৰে বাঁহীটি বজালোঁ*
*মুহিলোঁ জগত প্ৰাণ।* (পৃ. ৭৬৩)

(রাম রূপে আমিই
অসুরবিনাশী ধরেছি ধনুর্বাণ,
কৃষ্ণ রূপে বাঁশি বাজিয়েছি
মুগ্ধ করেছি জগৎপ্রাণ।)

এই 'অসুৰবিনাশী' ৰামৰ সৈতে (সঙ্গে) সাম্প্ৰতিক কালৰ ৰাজনৈতিক ৰামৰ সামঞ্জস্য নাই। জ্যোতিপ্ৰসাদৰ ৰাম 'সাংস্কৃতিক গুণাৰোপিত বীৰ'; তেওঁ (তিনি) সংস্কৃতিৰহে (সংস্কৃতিরই) ৰক্ষক, পৰধৰ্ম-অসহিষ্ণুতাৰ প্ৰতিভূ নহয় (নন)। জ্যোতিপ্ৰসাদে যে এই ধৰণৰ অবাঞ্ছিত অসহিষ্ণুতাক কোনো দিনেই প্ৰশ্ৰয় দিয়া নাছিল (দেননি) তাৰ একাধিক সাক্ষ্য তেওঁৰ (তাঁর) ৰচনাত আমি পাওঁ (আমরা পাই)। 'অসমীয়া ডেকাৰ (যুবকের) উক্তি'-ত তেওঁ কৈছে (তিনি বলেছেন):

*মোৰ ভগৱান মন্দিৰে-মছজিদে*
*ভগৱান মোৰ নামঘৰে ঘৰে*
*অন্তৰে বাহিৰে,*
*মোৰ ভগৱান নৈয়ে বনে বনে*
*আকাশে-আছমানে,*
*গীতা-কোৰাণেৰে, বাইবেলেৰে*
*কত গ্ৰন্থৰে মই*
*সকলো ধৰ্ম্মৰ মৰ্ম্ম*
*বুকুত লৈ,*
*প্ৰণামিছোঁ মই*
*প্ৰাৰ্থনা-নামাজ*
*লোৱাহে জ্যোতিৰ্ময়।* (পৃ. ৭৪০)

(আমার ভগবান মন্দিরে-মসজিদে
ভগবান আমার কীর্তনঘরে ঘরে
অন্তরে বাহিরে,
আমার ভগবান নদীতে বনে বনে
আকাশে-আশমানে,
গীতা-কোরানে, বাইবেলে
কত গ্রন্থকে আমি
সকল ধর্মের মর্ম
বুকে নিয়ে,
প্রণত হয়ে জানাই আমি
প্রার্থনা-নামাজ
লও হে জ্যোতির্ময়।)

ভৱিষ্যতৰ আলোকময় পৃথিৱীত সকলো (সমস্ত) ধৰ্মৰ মহাসমন্বয় কল্পনা কৰিছিল (করেছিলেন) জ্যোতিপ্ৰসাদে। (পৃ. ৭৪৬) এই ধৰ্মীয় মহাসমন্বয় প্ৰকৃততে সম্ভৱ হয় নে নহয় (হবে কি হবে না) সি এটা সুকীয়া (সেটা এক পৃথক) প্ৰশ্ন। জ্যোতিপ্ৰসাদে নিশ্চয় ভাবিছিল (ভেবেছিলেন) যে মহাসমন্বয় অসম্ভৱ নহয় (নয়), কিয়নো তেওঁ (কেননা তিনি) ভৱিষ্যতৰ যিখন সুসংস্কৃত পৃথিৱীৰ কথা কৈছিল (বলেছিলেন) তাত (সেখানে) শাস্ত্ৰীয় শাসন আৰু (এবং) যাজকীয় জঞ্জাল অনুপস্থিত। পিছে (তবে) শাস্ত্ৰীয় বিধি-বিধান আৰু (আর) পুৰোহিত-যাজক-মোল্লাৰ নিয়ন্ত্ৰণৰ বাহিৰত জানো (বাইরে কি) সংগঠিত বৃহৎ ধৰ্মৰ অস্তিত্ব কল্পনা কৰিব (করতে) পাৰি? গতিকে (সুতরাং) যুক্তিসংগতভাৱে আমি (আমরা) অনুমান কৰিব পাৰোঁ (করতে পারি) যে ধৰ্মীয় মহাসমন্বয়ৰ প্ৰসংগ উত্থাপন কৰোঁতে (করতে গিয়ে) জ্যোতিপ্ৰসাদে নিশ্চয় প্ৰচলিত অৰ্থত ধৰ্মৰ কথা বুজোৱা নাছিল (বোঝাননি)। এই কথা সঁচা (সত্যি) যে জ্যোতিপ্ৰসাদে তেওঁৰ কেতবোৰ (তাঁর কয়েকটা) গীত-কবিতাত ধৰ্মীয় পৰিভাষা আৰু চিত্ৰকল্প ব্যৱহাৰ কৰিছে (করেছেন)। কিন্তু ইয়াক (এটাকে) প্ৰাতিষ্ঠানিক ধৰ্মৰ প্ৰতি তেওঁৰ নিঃচৰ্ত (তাঁর নিঃশর্ত) সমৰ্থনৰ/আনুগত্যৰ দ্যোতক বুলিব নোৱাৰি (বলতে পারি না)। আনহাতে (অন্যদিকে) জ্যোতিপ্ৰসাদে কল্পনা কৰা শিল্পীৰ পৃথিৱীত দৰাচলতে (প্রকৃতপক্ষে) মানুহৰ (মানুষের) স্বতঃস্ফূৰ্ত সৌন্দৰ্যবোধৰ অবাধ ৰাজত্ব, তাত (সেখানে) শাস্ত্ৰীয় শাসনৰ কঠোৰতা বা ধৰ্মীয় কৰ্তৃত্বৰ নিশ্চল নিৰ্দেশৰ কোনো ভূমিকা নাই। জ্যোতিপ্ৰসাদে কৈছে (বলেছেন)— "শিল্পীয়ে

যদি গোটেই (সমগ্র) পৃথিৱীৰ মানুহক (মানুষকে) সঁচা (প্রকৃত) শিল্পীলৈ (শিল্পীতে) পৰিণত কৰিব পাৰে (করতে পারে)— তেন্তে (তাহলে) পৃথিৱীখন দুষ্কৃতিৰ পৰা (থেকে) মুক্ত হৈ যাব (হয়ে যাবে)। শিল্পী মানুহেই পৃথিৱীৰ উত্তৰাধিকাৰী।" (পৃ. ৪৪১) যিমানেই (যতই) প্রাচীন আৰু শ্রদ্ধেয় নহওক (হোক-না কেন), ধৰ্মীয় ঐতিহ্যৰ আওপুৰণি (অতিপ্রাচীন) প্রাসাদৰ অন্দৰ-মহলত জ্যোতিপ্রসাদ-কল্পিত শিল্পীয়ে জানো (কি) অভিপ্রেত আত্ম-অভিব্যক্তিৰ সুগম সুযোগ পাব (পাবে)?

মহাসমন্বয়ৰ কল্যাণকামী কল্পনাই জ্যোতিপ্রসাদৰ চিন্তা-চেতনাৰ এটা (একটা) উজ্জ্বল অথচ উপেক্ষিত দিশ (দিক) আমার আগত (আমাদের সামনে) উদ্ভাসিত কৰিছে (করেছে): ধৰ্মীয় গোড়ামি (গোঁড়ামি) তথা সংকীৰ্ণতাৰ পৰা (সংকীর্ণতা থেকে) স্রষ্টা-চিন্তাবিদ গৰাকী (এই ব্যক্তি) একেবাৰে মুক্ত আছিল (ছিলেন)। এই নিভাঁজ (নির্ভেজাল) উদাৰতাৰ ঘাই (প্রধান) প্রেৰণা হ'ল তেওঁৰ (তাঁর) সুগভীৰ মানৱতাবোধ। তেওঁৰ (তাঁর) চিন্তা-ভাবনাৰ কেন্দ্রবিন্দুত আছিল মানুহ (ছিল মানুষ)। মানুহৰ (মানুষের) সমস্যা-সম্ভাৱনা, মানুহৰ (মানুষের) বৰ্তমান-ভৱিষ্যৎ, মানুহৰ (মানুষের) শিল্পীসত্তা— এইবোৰেই আছিল (এগুলিই ছিল) তেওঁৰ (তাঁর) প্রিয় বিষয়, চিন্তাৰ আধাৰ। স্বাধীনতা-সংগ্রামৰ বাস্তৱ অভিজ্ঞতা আৰু (এবং) আদর্শগত অৱস্থানৰ পৰা (অবস্থান থেকে) তেওঁৰ (তাঁর) মানৱতাবোধে প্রচুৰ পুষ্টি সংগ্ৰহ কৰিছিল বুলি (করেছিল বলে) অনায়াসে অনুমান কৰিব (করতে) পাৰি। ইয়াৰ সৈতে (এর সঙ্গে) নিশ্চয় যুক্ত হৈছিল (হয়েছিল) চন্দ্ৰকুমাৰ আগৰৱালাৰ দৰে (মতো) সংবেদনশীল কবিৰ নেতত্বত ঠন ধৰি উঠা (পুষ্ট হয়ে-ওঠা) 'জোনাকী'ৰ মানৱ-দৰদী ভাবনা। জ্যোতিপ্রসাদে মনন আৰু (ও) হৃদয়ৰ গহনত (গভীরে) ঠাই দিয়া (স্থান দেওয়া) এই মানৱতাবোধৰ অব্যৰ্থ আৰু অফুৰন্ত প্রেৰণা অনুভৱ কৰিব (করতে) পাৰি তেওঁৰ (তাঁর) সৃজন আৰু (ও) চিন্তাৰ প্রতিটো প্রধান দিশতেই।

জ্যোতিপ্রসাদৰ মনোভাৱ আৰু (এবং) মতবাদত (মতবাদে) নস্যাৎ প্রৱণতা (iconoclasm) অনুপস্থিত। মানুহৰ (মানুষের) সাংস্কৃতিক ঐতিহ্যৰ বিচাৰ-বিশ্লেষণ কৰোঁতে (করতে গিয়ে) তেওঁ (তিনি) নিঃচৰ্ত (নিঃশর্ত) নিন্দা পৰিহাৰ কৰি চলিছিল (চলেছিলেন)। ধৰ্মৰ জন্ম ৰহস্য সম্পর্কে জ্যোতিপ্রসাদৰ ব্যাখ্যা এই প্রসংগত স্মৰ্তব্য। তেওঁ কৈছে (তিনি বলেছেন) যে মানুহ (মানুষ) এটা (একটা) সাংস্কৃতিক জীৱ আৰু (এবং) আদিম অতীজৰে পৰা (অতীত থেকে) মানুহে (মানুষ) জীৱনৰ সকলো ক্ষেত্ৰতে সৌন্দৰ্যৰ ৰহণ সানিবলৈ (রং দিতে) অহৰহ প্ৰয়াস কৰি আহিছে (করে এসেছে)। এই সাংস্কৃতিক প্রয়াসৰ পৰাই (প্রয়াস থেকেই) সৃষ্টি হৈছে দৰ্শন, ব্যায়াম, প্রসাধন, ৰন্ধন-কলা ইত্যাদিৰ। আনকি (এমন-কি) সাম্যবাদকো (সাম্যবাদকেও) ধৰ্ম-বিৰোধী বুলি (বলে) যি 'বাদ'ৰ নামকেই বহুতে শুনিব নিবিচৰে (নামটাই অনেকে শুনতে চায় না)— সেই সাম্যবাদকো জ্যোতিপ্রসাদে মানুহৰ (মানুষের) নৱতম 'সৌন্দৰ্য প্ৰয়াস' বুলিছে (বলেছেন)। (পৃ. ৪৯৯) সমাজত ধৰ্মৰ আৱিৰ্ভাবৰ আঁৰতো (অন্তরালেও) জ্যোতিপ্রসাদে মানুহৰ (মানুষের)— মানুহৰহে (মানুষেরই), ঈশ্বৰৰ নহয় (ঈশ্বরের নয়)— সৌন্দৰ্য-প্ৰয়াস দেখিবলৈ পাইছে (দেখতে পেয়েছেন): "মানুহৰ সমাজলৈ (মানুষের সমাজে) সৌন্দৰ্য্য নমাবলৈ (নামিয়ে আনতে) সি (সে) (মানুহে) ধৰ্ম সৃষ্টি কৰিছে (করেছে)।" (পৃ. ৪৯৯) এই ব্যাখ্যা বহুলাংশে কষ্ট-কল্পিত: নৃতত্ত্ব বা মনোবিজ্ঞানত ইয়াৰ (এর) সমৰ্থন দুৰ্লভ। হ'লেও জ্যোতিপ্রসাদৰ চিন্তাধাৰাৰ প্রেৰণা আৰু (ও) প্রকৃতি বুজিবলৈ (বুঝতে) এই ব্যাখ্যাই নিশ্চয় আমাক (আমাদের) সহায় কৰিব (করবে)। কিয়নো (কেননা) অলপ ফঁহিয়াই চালেই ওলাই পৰে (একটু বিশ্লেষণ করে দেখলেই বেরিয়ে পড়ে) যে ধৰ্মৰ উদ্ভাৱনক সৌন্দৰ্য প্ৰয়াস বোলোতে (বলতে গিয়ে) তেওঁ দৰাচলতে (তিনি প্রকৃতপক্ষে) ধৰ্মীয় বাহ্যাচাৰতকৈ (বাহ্যাচারের চেয়ে) ধৰ্মৰ নৈতিক ভূমিকাৰ ওপৰত (ওপরে) সৰ্বাধিক গুৰুত্ব দিছে (দিয়েছেন)।

ধৰ্মৰ জন্ম-প্ৰক্ৰিয়াৰ নেপথ্যত (নেপথ্যে) সৌন্দৰ্য প্ৰয়াস আৱিষ্কাৰ কৰিলেও জ্যোতিপ্রসাদৰ সংস্কৃতি-চিন্তাক পিছে (শেষ পর্যন্ত) ধৰ্মৰ ধূসৰ ধাৰণাই আচ্ছন্ন কৰি পেলোৱা নাই (করে ফেলেনি)। ধৰ্ম-ৰাজ্যৰ প্ৰতিষ্ঠা বা পৰমাত্মাত বিলীন হৈ যোৱাটোকে (হয়ে যাওয়াটাকে) মানুহৰ (মানুষের) সাংস্কৃতিক অভিযান আৰু (এবং) অগ্রগতিৰ চূড়ান্ত লক্ষ্য বুলি তেওঁ ক'তো কোৱা নাই (বলে তিনি কোথাও বলেননি)। অৱশ্যে ভাৰতৰ পুৰণি (প্রাচীন) আধ্যাত্মিক ঐতিহ্যৰ প্ৰতি জ্যোতিপ্রসাদে কেতিয়াবা (কখনো-বা) অতিৰিক্ত অনুৰাগ দেখুৱাইছে (দেখিয়েছেন)। দৃষ্টান্ত হিচাপে (হিসাবে) তেওঁৰ (তাঁর) এই উক্তিটো উল্লেখ্য— "আৰ্যৰ বেদ-বেদান্ত উপনিষদৰ চিন্তা, জ্ঞান, ধ্যান মানৱ প্রকৃতিৰ বিষয়ে অভ্রান্ত।" (পৃ. ৪২৬) এয়া (এটা)

নিঃসন্দেহে ঐতিহ্য-বন্দনাৰ বন্ধনহীন অভিব্যক্তি। এনে (এ-জাতীয়) বন্দনা আৰু (ও) নিদৰ্শন জ্যোতিপ্ৰসাদৰ ৰচনাত আছে। আৰ্য অতীতৰ গুণানুকীৰ্তন কৰি তেওঁ কৈছে (করে তিনি বলেছেন) যে পাশ্চাত্যই মানুহৰ শিল্পীৰূপ উপলব্ধি কৰিব পাৰিছে কুৰি (বিশ) শতিকাতহে (শতকে), কিন্তু ভাৰতবৰ্ষত 'আৰ্য্যৰ ধৰ্ম্মগুৰু, সভ্যতা-সংস্কৃতিৰ গুৰু'-সকলে, 'বিশ্বৰ অভ্যন্তৰ দ্ৰষ্টা ঋষিসকলে' দ্বাপৰতেই (দ্বাপরেই) এই মহাসত্য আৱিষ্কাৰ কৰিছিল (করেছিলেন)। (পৃ. ৪৩৩) বৃটিছ-শাসিত ভাৰতৰ পটভূমিত এনে উক্তিৰ প্ৰচ্ছন্ন / পৰোক্ষ মৰ্ম হ'ল : আজি আমি তোমালোকৰ (আজ আমরা তোমাদের) শাসনাধীন, তোমালোকে আমাৰ সভ্যতা-সংস্কৃতিক অৱজ্ঞা বা ইতিকিং (ব্যঙ্গ) কৰিছা, কিন্তু সুদূৰ অতীতত আমি মানুহৰ শিল্পীসত্তা সমন্ধে (সম্বন্ধে) যি (যে) মহাসত্যৰ সন্তেদ পাইছিলো (সন্ধান পেয়েছিলাম) তাৰ সাৰকথা তোমালোকে (তোমরা) উপলব্ধি কৰিছা (করেছ) সম্প্ৰতিহে। কোৱা (বলা) বাহুল্য যে এনে (এইরকম) অতিৰঞ্জিত অতীত-বৃত্তান্তৰ আঁৰত (অন্তরালে) সাংস্কৃতিক জাতীয়তাবাদ (cultural nationalism)-ৰ প্ৰদীপ্ত প্ৰেৰণা বেছ (বেশ) সক্ৰিয়। পণ্ডিতসকলৰ পৰা (পণ্ডিতদের কাছ থেকে) আমি জানিব পাৰিছোঁ (আমরা জানতে পেরেছি) যে জাতীয়তাবাদী বাগধাৰাত তিনিটা (তিনটে) উপাদান থাকে— গৌৰৱময় অতীত (the glorious past), অধঃপতিত বৰ্তমান (the degraded present) আৰু (এবং) কল্পিত কাম্য ভৱিষ্যৎ (the utopian future)। ভাৰতৰ এচাম (একাংশ) জাতীয়তাবাদীয়ে এই 'গৌৰৱময় অতীত'-ৰ অতিকথাটো কেতিয়াবা (কখনো) সযত্নে নিৰ্মাণ কৰিছিল (করেছিল) কৌশল হিচাপে (হিসাবে) আৰু কেতিয়াবা (এবং কখনো-বা) স্বতঃস্ফূৰ্তভাৱে উদ্ভাৱন কৰিছিল (করেছিল) আত্ম-তৃপ্তিৰ অৰ্থে (জন্য)। কোনো কোনো ক্ষেত্ৰত পুনৰুত্থানবাদী প্ৰৱণতা থাকিলেও এই সকল সাংস্কৃতিক জাতীয়তাবাদীয়ে সাধাৰণতে সুউন্নত-সুবিকশিত অতীতৰ কথা কৈ (বলে) পৰাধীন প্ৰজা-মানসৰ নীচাত্মিকাবোধ দূৰ কৰি (করে) মানসিক সবলীকৰণৰ প্ৰক্ৰিয়াক দৃঢ়তৰ আৰু দ্ৰুততৰ কৰিব বিচাৰিছিল (করতে চেয়েছিলেন)। প্ৰাচীন ভাৰতৰ সাংস্কৃতিক শ্ৰেষ্ঠতাৰ ধাৰণাটোৰ সৈতে (সঙ্গে) সম্পৃক্ত জাতীয়তাবাদৰ এই জনপ্ৰিয় ধাৰাটোৰ প্ৰভাৱ জ্যোতিপ্ৰসাদৰ ওপৰত নিশ্চয় পৰিছিল।

জ্যোতিপ্ৰসাদৰ ঐতিহ্য-মূল্যায়নত ক্ষেত্ৰ বিশেষে উচ্ছ্বাস আৰু অতিৰঞ্জন থাকিলেও দেশজ ঐতিহ্যৰ প্ৰতি সমালোচনাত্মক (critical) মনোভংগী তেওঁ (তিনি) বিসৰ্জন দিয়া নাছিল (দেননি)। কেতিয়াবা (কখনো-বা) বিৰল আৰু (ও) বিস্ময়কৰ বলিষ্ঠতাৰে তেওঁ (তিনি) এই মনোভংগী ব্যক্ত কৰিছিল (করেছিলেন) : "যিখিনি (যেসব) সাংস্কৃতিক বস্তুক আমি নতুন দিনৰ আহিলা হিচাপে নাপাওঁ (হাতিয়ার হিসাবে পাই না) সি যিমানেই আমাৰ মৰমৰ হওক (তা যতই আমাদের প্রিয় হোক) লাগিলে তাক এৰিব লাগিব (প্রয়োজন হলে তা ছাড়তে হবে)।" (পৃ. ৪৮৩) 'শিল্পীৰ পৃথিৱী' শীৰ্ষক সুপ্ৰসিদ্ধ অভিভাষণত জীৱনমুখী জ্যোতিপ্ৰসাদে ভাৰতীয় আধ্যাত্মিক ঐতিহ্যৰ বহু-চৰ্চিত বিষয় মায়াবাদ সম্পৰ্কে তেওঁৰ (তাঁর) সুস্পষ্ট সমালোচনাত্মক মত ব্যক্ত কৰিছে (করেছেন)। প্ৰাঞ্জল আৰু ঋজু ভংগীৰে তেওঁ কৈছে (তিনি বলেছেন) :

*বুদ্ধ আহিল, অশোক বুৰঞ্জীত (ইতিহাসে) সৃষ্টি হ'ল। ভাৰতৰ জনতাৰ মহত্ত্ব হিউয়েন চাঙে গাই গল (বলে গেলেন)। ব্ৰাহ্মণ্য সংস্কৃতিয়ে আকৌ এবাৰ (আরো একবার) জ্বলি উঠিবলৈ প্ৰয়াস পালে— শঙ্কৰাচাৰ্য্য আহিল। কিন্তু এইবাৰ সংস্কৃতি সুস্থ কৰিবলৈ মায়াবাদৰূপী অতি বিকৃত দৰ্শনৰ প্ৰতিষেধক দিয়াত— ই (এটা) ভাৰতীয় জীৱনৰ ওপৰত, বিশেষকৈ বাস্তৱিক জীৱনৰ ওপৰত বৰ বেয়াভাৱে (খুব খারাপভাবে) প্ৰতিক্ৰিয়া কৰিলে। আমাৰ সংস্কৃতিৰ থল লৰাই দিলে (ভিত্তি নাড়িয়ে দিল)।* (পৃ. ৪৪৩)

অন্য এটা (একটা) ভাষণত জ্যোতিপ্ৰসাদে কৈছে (বলেছেন) যে মানুহৰ স্বভাৱৰ সৌন্দৰ্যৰ ওপৰত সৰ্বাধিক গুৰুত্ব দি (দিয়ে) "বাস্তৱ সংস্কৃতি-সভ্যতাক মায়া বুলি (বলে) কবলৈ যাওঁতে (প্রচার করতে গিয়ে), আমাৰ (আমাদের) অধঃপতন হ'ল।" (পৃ. ৫৫৩) যি (যে) আধ্যাত্মিক-দাৰ্শনিক মায়াবাদক লৈ (মায়াবাদকে নিয়ে) এচাম (একাংশ) ভাৰতীয় সদাগৰ্বিত তাৰ প্ৰতি জীৱনমুখী জ্যোতিপ্ৰসাদৰ নিৰ্মোহ মনোভাৱ বেছ (বেশ) অৰ্থবহ। কোনো সন্দেহ নাই, পুৰণি (প্রাচীন) ঐতিহ্যৰ অপ্ৰয়োজনীয় আৰু (ও) অনিষ্টকৰ দিশবোৰক (দিকগুলিকে) ঐতিহ্য-প্ৰীতিৰ নামত (নামে) ৰক্ষণাবেক্ষণ দিব বিচৰা মানুহ চামে (দিতে চাওয়া মানুষরা) জ্যোতিপ্ৰসাদৰ মনোভাৱৰ পৰা (মনোভাব থেকে) কিছু শিক্ষা আহৰণ কৰিব (করতে) পাৰে।

'অসমীয়া স্থাপত্যৰ নৱৰূপ' নামৰ নিবন্ধটোত (নিবন্ধটিতে) তেওঁৰ (তাঁর) অভিনৱ স্থাপত্য-চিন্তাৰ পৰিচয় পোৱা (পাওয়া) যায়। এই নিবন্ধত কোনো ধৰণৰ স্ববিৰোধ নাই বুলি (বলে)

বোধহয় ক'ব নোৱাৰি (বলতে পারি না), কিন্তু নতুন ভাৰতৰ— ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ'ৰ— স্থাপত্যৰ চেহেৰা-চৰিত্ৰ কল্পনা কৰোঁতে (করতে গিয়ে) জ্যোতিপ্ৰসাদে যি (যে) নির্ভেজাল অসাম্প্ৰদায়িক মনোভাৱ ব্যক্ত কৰিছে (করেছেন) সি (তা) নিঃসংশয়ে পৰম প্ৰশংসাৰ বিষয়। স্বাধীন ভাৰতৰ 'সকলো ৰাজহুৱা (জনগণের) বা জাতীয় বস্তু' হ'ব লাগিব (হতে হবে) ধৰ্মনিৰপেক্ষ— এই সাৰগৰ্ভ সাহসী বক্তব্য দাঙি (তুলে) ধৰাৰ পিছত (পরে) জ্যোতিপ্ৰসাদে কৈছে (বলেছেন) যে আমাৰ (আমাদের) নব্য-স্থাপত্য বিশ্বমুখী আৰু (এবং) জাতীয় বৈশিষ্ট্যসম্পন্ন হোৱাৰ উপৰিও (হওয়া ছাড়াও) ই হ'ব লাগিব (এটাকে হতে হবে) 'ধৰ্মনিৰপেক্ষ আৰু (আর) অসাম্প্ৰদায়িক।' (পৃ. ৪৮০) আমাৰ (আমাদের) সুপ্ৰাচীন দেশত মঠ-মন্দিৰ, বৌদ্ধ স্তূপ, মছজিদ, সমাধি আদি বহুতো স্থাপত্য-কীৰ্তি আছে। কিন্তু 'অসাম্প্ৰদায়িক গঢ়'ৰ (কাঠামোর) ভিত্তিত নতুন স্থাপত্য সৃষ্টি কৰিবলৈ (করতে) হ'লে এই মঠ-মন্দিৰ-মছজিদ আদিৰ পৰা (প্রভৃতি থেকে) নিৰ্বিচাৰে গঢ় (কাঠামো) ল'ব নোৱাৰি (নিতে পারি না)। কিয় নোৱাৰি (কেন পারি না) তাৰ ব্যাখ্যা প্ৰসংগত জ্যোতিপ্ৰসাদে লিখা কথাখিনি বিশেষভাৱে অৰ্থবহ আৰু তাৎপৰ্যপূৰ্ণ— "সেইবোৰ (সেইসব) স্থাপত্যৰ গঢ় (কাঠামো) এনেভাৱে (এইভাবে) কোনো নহয় কোনো (কোনো-না-কোনো) ধৰ্ম আৰু সম্প্ৰদায়ৰ স'তে (সঙ্গে) সাঙোৰ খাই (লিপ্ত হয়ে) আছে যে তাক ব্যৱহাৰ কৰিলেই সাম্প্ৰদায়িক ছাঁ আহি (ছায়া এসে) আমাৰ (আমাদের) স্থাপত্যত পৰিবই (পড়বেই)।" (পৃ. ৪৮২) ভাৰতীয় স্থাপত্যৰ ধৰ্মাশ্ৰয়ী ধাৰাটোৰ প্ৰতি এক অভাৱনীয় নিৰ্মোহ মনোভাৱ এই কথাখিনিত স্পষ্ট। জ্যোতিপ্ৰসাদে দৰাচলতে (প্রকৃতপক্ষে) ধৰ্মক ৰাজহুৱা জীৱনলৈ (জনজীবনে) আনিব বিচৰা নাছিল (আনতে চাননি) আৰু যিহেতু (এবং যেহেতু) স্থাপত্য ৰাজহুৱা (জনসমক্ষে) প্ৰদৰ্শনৰ বস্তু সেই নিমিত্তে তেওঁ (তিনি) ইয়াক (একে) প্ৰকৃত অৰ্থত ধৰ্মনিৰপেক্ষ ৰূপত গঢ় দিয়াটো (রূপে গড়ে-ওঠা) কামনা কৰিছিল (করেছিলেন)। আমি 'প্ৰকৃত অৰ্থত ধৰ্মনিৰপেক্ষ' বুলিছোঁ (বলছি) এইবাবেই (এইজন্যই) যে আমাৰ (আমাদের) দেশত সৰহ ক্ষেত্ৰত (বেশিরভাগ ক্ষেত্রেই) আন্তঃধৰ্মীয় সহিষ্ণুতা বা নানা ধৰ্মৰ শান্তিপূৰ্ণ সহ অৱস্থানকেই ধৰ্মনিৰপেক্ষতা বোলা (বলা) হয়। প্ৰকৃততে ধৰ্মনিৰপেক্ষতা (secularism)-ৰ অৰ্থ হ'ল ধৰ্মৰ সৈতে সম্পৰ্কহীনতা। এই সংজ্ঞা অনুযায়ী ৰাষ্ট্ৰই সকলো ধৰ্মৰ পৰা (ধর্ম থেকে) সমদূৰত্ব ৰক্ষা কৰি (করে) চলাটো (চলাটা) বাঞ্ছনীয়। ভাৰতত (ভারতে) কিন্তু ৰাষ্ট্ৰই ধৰ্মক সন্মান জনোৱাৰ নামত (সম্মান জানানোর নামে) উদগনি দিয়া যেনহে লাগে (উৎসাহ দেওয়া হচ্ছে বলেই যেন মনে হয়)। এনে 'ঔদাৰ্য'ৰ আঁৰত (আড়ালে) নিৰ্বাচন-কেন্দ্ৰিক ৰাজনীতিৰ ভূমিকা নথকা নহয় (নেই তা নয়)। গুৰুত্বপূৰ্ণ কথা হ'ল, জ্যোতিপ্ৰসাদে ধৰ্মৰ সৈতে (সঙ্গে) সম্পৰ্ক ছিন্ন কৰি (করে) নতুন ভাৰতৰ স্থাপত্যক ধৰ্ম-নিৰপেক্ষ বা ধৰ্মমুক্ত ৰূপ দিয়াৰ (দেওয়ার) কথা ভাবিছিল (ভেবেছিলেন)। আৱেগিক আসক্তি বা যুক্তিৰ চাতুৰ্যক প্ৰশ্ৰয় নিদি (না দিয়ে) ভাৰতৰ ধৰ্মীয় স্থাপত্যক ইমান (এতটা) নিৰ্মোহ ভংগীৰে আধুনিক যুগৰ কাৰণে অনুপযোগী বুলি ঠাৰৰ কৰাটো (চিহ্নিত করাটা) কম কথা নহয় (নয়)।

জ্যোতিপ্ৰসাদৰ বৰদেউতাক (জ্যাঠামশাই) চন্দ্ৰকুমাৰ আগৰৱালাদেৱে কৈছিল— 'সুন্দৰৰ আৰাধনা জীৱনৰ খেল (খেলা)।' জ্যোতিপ্ৰসাদৰ সমৃদ্ধ সংস্কৃতি-দৰ্শনত আমি (আমরা) যেন এই বাণীৰে (বাণীরই) পৰিৱৰ্ধিত আৰু পৰিশোধিত ৰূপ দেখা পাওঁ (দেখতে পাই)। জীৱনৰ যিটো দিশতেই তেওঁ (জীবনের যেদিকেই তিনি) স্বীয় দৃষ্টিভংগীৰে আলোকপাত কৰিবলৈ (করতে) যত্নবান হৈছে (হয়েছেন) তাতেই তেওঁ (সেখানেই তিনি) অৱতাৰণা কৰিছে (করেছেন) সৌন্দৰ্য-সাধনাৰ বিষয়টো। 'শিল্পীৰ আলোকযাত্ৰা'ৰ আৰম্ভনীতেই (শুরুতেই) জ্যোতিপ্ৰসাদৰ সুন্দৰাকাঙ্ক্ষী মন-মেজাজৰ পৰিচয় ফুটি উঠিছে (ফুটে উঠেছে):

*শিল্পী মই*
*ময়ে শিল্পী*
*আন্ধাৰৰ সতে যুঁজি পোহৰলৈ যাওঁ,*
*মানুহৰ জীৱনৰ খোঁটালিয়ে খোঁটালিয়ে*
*ৰঙা-নীলা-হালধীয়া*
*সাতো বৰণীয়া*
*নুনুমুৰা আলোকৰ*
*চাকি জ্বলাওঁ।*
*চিৰসুন্দৰৰ কৰি চিৰ আৰাধনা*
*মানুহৰ বুকুলৈ*
*মানুহৰ মনলৈ*
*মানুহৰ সৃষ্টিলৈ*
*চিৰসুন্দৰ নমাওঁ।* (পৃ. ৬৮৩)

(শিল্পী আমি
আমিই শিল্পী
আঁধারের সাথে যুঝে আলোর দিকে যাই,
মানুষের জীবনের ঘরে ঘরে
লাল-নীল-হলুদ
সাত বরনের
অনির্বাণ আলোকের
প্রদীপ জ্বালাই।
চিরসুন্দরের ক'রে চির আরাধনা
মানুষের বুকে
মানুষের মনে
মানুষের সৃষ্টিতে
চিরসুন্দর নিয়ে আসি।)

আমি (আমরা) ইতিপূর্বে উল্লেখ কৰিছোঁ (করেছি) যে সংস্কৃতিয়েই হ'ল জ্যোতিপ্ৰসাদৰ ভাৱ-ভুৱনত একাধিপত্য বিস্তাৰ কৰা সৰ্বপ্ৰধান ধাৰণা। অৱশ্যে সংস্কৃতিৰ স্বৰূপ তথা অভিব্যক্তিক তেওঁ (তিনি) বেলেগ (পৃথক) ধৰণে ব্যাখ্যা কৰিছিল (করেছিলেন)। জ্যোতিপ্ৰসাদে সংস্কৃতিৰ পূৰ্ণ প্ৰকাশ দেখা পাইছিল (দেখতে পেয়েছিলেন) কৃষ্ণৰ মাজত (মধ্যে)— 'মানুহৰ পূৰ্ণ অৰ্থ পালে আৰ্য্য মনীষাই। সেই অৰ্থ লেখিলে কৃষ্ণৰ ছবিৰে।' (পৃ. ৪৩০) অর্থাৎ কৃষ্ণ হ'ল সংস্কৃতিৰ প্ৰতীক, 'সনাতন মানব সংস্কৃতিৰ সত্য।' (পৃ. ৪৩৫) কিন্তু প্রতীক হলেও 'কৃষ্ণ' নামটোৰ সতে (নামটির সঙ্গে) হিন্দু ধর্মীয় ঐতিহ্য যে গভীৰভাৱে সাঙোৰ খাই (লিপ্ত হয়ে) আছে সেই বিষয়ে জ্যোতিপ্ৰসাদ সচেতন আছিল (ছিলেন)। সেই নিমিত্তে তেওঁ কৈছে (তিনি বলেছেন) যে আজি আমি 'কৃষ্ণ'-ৰ পৰিবৰ্তে সংস্কৃতি শব্দটো ব্যৱহাৰ কৰা উচিত, কাৰণ এই শব্দটোত নিহিত আছে সকলো ধৰ্মৰ সাংস্কৃতিক মৰ্মাৰ্থ। 'সংস্কৃতি' শব্দটোত কোনো বিশেষ ধর্মৰ প্ৰলেপ লাগি থকা নাই (লেগে থাকেনি) আৰু এইবাবেই (এবং এইজন্যই) নিশ্চয় জ্যোতিপ্ৰসাদে শব্দটো পছন্দ কৰিছিল (করেছিলেন)। 'শিল্পীৰ পৃথিৱী' শীৰ্ষক অভিভাষণত জ্যোতিপ্ৰসাদে এই সন্দৰ্ভত কোৱা কথাখিনি ফঁহিয়াই চালে (বিশ্লেষণ করে দেখলে) এই মহান স্রষ্টা-চিন্তাবিদগৰাকীৰ ভাৱধাৰাৰ ধর্মনিৰপেক্ষ চৰিত্ৰ অনুধাৱন কৰাত সহায় হ'ব। তেওঁ কৈছে (তিনি বলেছেন)— "আজিও আমি (আমাদের) 'কৃষ্ণ'-কেই ল'ব লাগিব (নিতে হবে), কিন্তু বৃন্দাবনৰ বংশীবাদকৰ মূৰ্তিৰে (মূর্তিতে), আনকি (এমন-কি) কৃষ্ণ নামটোৰেও কৃষ্ণক ল'ব নোৱাৰো (নিতে পারি না)। এই দুয়োটা নাম হিন্দু ধৰ্মৰ বাহ্যিক ৰূপৰ সৈতে (সঙ্গে) সোমাই (নিহিত হয়ে) আছে। আজি আমি (আমরা) যিখন ভাৰত গঢ়িম (গড়ব), যিখন অসম গঢ়িম (গড়ব), সেই ভাৰতত (ভারতে), অসমত (অসমে), হিন্দু, মুছলমান, জৈন, খ্ৰীষ্টীয়ান, ইহুদি, শিখ আদি নানা ধৰ্মৰ মানুহ (মানুষ) আছে। এওঁলোকৰো (এঁদেরও) নিজৰ নিজৰ সংস্কৃতিৰ প্ৰতীক আছে 'কৃষ্ণ'-ৰ দৰে (মতো)। এতিয়া আমি (এখন আমাদের) কৃষ্ণৰ অৰ্থটোহে উলিয়াই আনিব লাগিব (বের করে আনতে হবে) আজিৰ যুগলৈ (আজকের যুগে)।... এই অৰ্থ উলিয়াই (বের করে) সকলোৰে লগত (সঙ্গে) যেতিয়া (যখন) সি মিলিব (সে মিলবে) তেতিয়া (তখন) তাৰ সকলোৰে ল'ব পৰা (সকলের গ্রহণযোগ্য) নাম দিব লাগিব (দিতে হবে)। সেইটোৱেই হৈছে (সেটাই হচ্ছে) আজিৰ 'কৃষ্ণ'ৰ অৰ্থ। সকলো ধৰ্মৰ অৰ্থৰ সৈতে (সঙ্গে) মিলা (মেলা) অৰ্থৰ এই যুগৰ নামকৰণ হৈছে (হয়েছে) সংস্কৃতি।" (পৃ. ৪৩৫) এই কথাখিনিৰ পৰা (থেকে) এটা (একটা) কথা স্পষ্ট হৈ পৰে (হয়ে পড়ে)— সংস্কৃতি চিন্তাক (চিন্তাকে) অসাম্প্ৰদায়িক ৰূপ দিবলৈ (দেওয়ার জন্য) সচেতন আৰু সুপৰিকল্পিতভাৱে জ্যোতিপ্ৰসাদে চেষ্টা কৰিছিল (করেছিলেন)। এখন (একটা) ধর্মনিৰপেক্ষ ৰাষ্ট্ৰ গঢ় দিয়াৰ (গড়ে তোলার) প্ৰক্ৰিয়াত অন্ধ আৰু অটল ঐতিহ্য-প্ৰীতি যে অন্তৰায় স্বৰূপ সেই সত্য তেওঁ (তিনি) মৰ্মে মৰ্মে উপলব্ধি কৰিছিল (করেছিলেন)।

এইখিনিতে আমি (আমরা) গান্ধীৰ প্ৰসংগ উনুকিয়াব পাৰোঁ (উল্লেখ করতে পারি)। 'হৰিজন' কাকতত (পত্রিকায়) এবাৰ (একবার) গান্ধীয়ে লিখিছিল (লিখেছিলেন) যে ৰামনাম ল'বলৈ (নিতে) মুছলমান বা অন্যলোকে কিয় (কেন) আপত্তি কৰে সেই কথা তেওঁ (তিনি) বুজি নাপায় (বুঝতে পারেন না)। কাৰণ, গান্ধীৰ মতে, তেওঁৰ (তাঁর) প্ৰাৰ্থনাৰ ৰামগৰাকী দশৰথৰ পুত্ৰ ঐতিহাসিক ৰাম নহয় (নন), এই ৰাম এক অদ্বিতীয় পৰম শক্তি। গতিকে (সুতরাং) এই গৰাকী ৰামৰ নাম সকলোৱে লব (সকলেই নিতে) পাৰে। স্বমতপ্ৰিয় গান্ধীৰ এই যুক্তিত অহিন্দু লোকৰ ধৰ্মীয় অনুভূতিক সহানুভূতিৰে বিবেচনা কৰাৰ প্ৰয়াস অনুপস্থিত, যদিও ৰাম-ভক্তিক তেওঁ জোৰ-জুলুমকৈ আনৰ ওপৰত (অন্যের ওপরে) জাপি দিয়াৰ (চাপিয়ে দেওয়ার) কথা কেতিয়াও (কখনো) কোৱা নাই (বলেননি)। নকলেও হ'ব (না-

বললেও হবে) যে গান্ধীৰ ৰাম-তত্ত্বৰ তুলনাত জ্যোতিপ্ৰসাদৰ সংস্কৃতি-চিন্তা এই ক্ষেত্ৰত বেছি আগবঢ়া আছিল (বেশি অগ্রসর ছিল)। কিয়নো (কেননা), 'কৃষ্ণ'ৰ সলনি (পরিবর্তে) ধৰ্মনিৰপেক্ষ শব্দ 'সংস্কৃতি'-ৰ পক্ষ লওঁতে (নেওয়ার সময়) জ্যোতিপ্ৰসাদে ভাৰতৰ সকলো ধৰ্মাৱলম্বী মানুহৰ (মানুষের) অনুভূতি আৰু ঐতিহ্যৰ কথা বিবেচনা কৰিছিল (করেছিলেন) এটা মুকুলি (একটা খোলা) মন লৈ (নিয়ে)। এই মনোভাৱ জ্যোতিপ্ৰসাদৰ ধৰ্মনিৰপেক্ষতা আৰু গণতান্ত্ৰিক চেতনাৰ উজ্জ্বল সাক্ষ্য।

ধৰ্মীয় পৰিচিতি, ধৰ্মীয় ঐতিহ্য আৰু (এবং) ধৰ্ম-নিৰপেক্ষতা সম্পৰ্কে আদৰ্শনিষ্ঠ জ্যোতিপ্ৰসাদৰ মত আৰু (আর) মনোভাৱ কেনে আছিল (কেমন ছিল) সেই সন্দৰ্ভত আমি (আমরা) কিঞ্চিৎ আভাস দিবলৈ যত্ন কৰিলোঁ (দেওয়ার চেষ্টা করলাম)। কৈ থোৱা (বলে রাখা) সমুচিত হ'ব যে আমাৰ (আমাদের) সমীক্ষণত জ্যোতিপ্ৰসাদৰ চিন্তাধাৰাৰ সেই সমূহ দিশেহে (সব দিকই) অগ্ৰাধিকাৰ পাইছে (পেয়েছে) যিবোৰ (যেগুলো) সাধাৰণতে বঞ্চিত হয় যথাযথ গুৰুত্বৰ পৰা (গুরুত্ব থেকে)। অৱশ্যে এতিয়ালৈকে (এখন পর্যন্ত) ধৰ্ম সম্পৰ্কে জ্যোতিপ্ৰসাদৰ ধাৰণা কেনে আছিল (কেমন ছিল) সেই সন্দৰ্ভত আমি (আমরা) বহলাই (বিস্তারিতভাবে) একো কোৱা নাই (কিছুই বলিনি)। জ্যোতিপ্ৰসাদ সম্পৰ্কে যিটো কথা ন-দি (জোর দিয়ে) কব (বলতে) পাৰি সেইটো হ'ল— তেওঁ (তিনি) নাস্তিক নাছিল (ছিলেন না)। তেওঁৰ (তাঁর) জীৱন-চৰ্যা আৰু ৰচনাৱলীত এনে (এমন) কোনো আচৰণ-অভ্যাস বা উক্তি দেখা নাযায় (যায় না) যিটো (যা) নিৰীশ্বৰবাদৰ দ্যোতক। কিন্তু ইয়েই (এটাই) ধৰ্মৰ প্ৰতি তেওঁৰ (তাঁর) মনোভাৱৰ সামগ্ৰিক পৰিচয় নিদিয়ে (দেয় না)। তেওঁৰ (তাঁর) ভাব-জগত আৰু ভৱিষ্যৎ-কল্পনাৰ আঁৰত (অন্তরালে) ধৰ্মৰ প্ৰভাৱ-প্ৰেৰণা আছিল নে নাই (ছিল কি ছিল না) সি (সেটা) নিশ্চয় এক অনুসন্ধেয় বিষয়। আমাৰ (আমাদের) আলোচনা সামৰাৰ আগতে (শেষ করার আগে) এই বিষয়ে আমি (আমরা) থোৰতে আলচ কৰিম (সংক্ষেপে আলোচনা করব)। কিন্তু তাৰ আগতে (আগে) ধৰ্মৰ নৈতিক / সাংস্কৃতিক ভূমিকাৰ সন্দৰ্ভত দুআষাৰ কোৱা (দু-এক কথা বলা) উচিত হ'ব (হবে)।

বহুতো যুক্তিবাদী পণ্ডিতে এই মত পোষণ কৰে যে ধৰ্মনিষ্ঠাই আচলতে (আসলে) এক ধৰণৰ আত্মকেন্দ্ৰিক পৰকালমুখী মানসিকতাৰ জন্ম দিয়ে (দেয়)। এই মানসিকতাই মানুহক (মানুষকে) উদগনি দিয়ে (উৎসাহ দেয়) পাৰলৌকিক সুখ-শান্তি বা আত্মাৰ মুক্তিৰ কাৰণে আন্তৰিকতাৰে (আন্তরিকতার সঙ্গে) চিন্তা আৰু (ও) কাম কৰিবলৈ (কাজ করতে)। এনেবোৰ (এইসব) ক্ষেত্ৰত নৈতিক আচৰণৰ নেপথ্যত থাকে ব্যক্তি স্বাৰ্থ। যুক্তিবাদীসকলৰ মতে এই ধৰণৰ নৈতিকতা আত্মমুখী, ইয়াৰ (এর) কোনো উল্লেখযোগ্য সামাজিক উপকাৰিতা নাই। ধৰ্মৰ ব্যৱহাৰিক উপযোগিতাত যিসকলৰ (যাঁদের) আস্থা আছে তেওঁলোকে (তাঁরা) কিন্তু এই কথা মানি নলয় (মেনে নেন না)। এওঁলোকৰ (এঁদের) এটা (একটা) প্ৰধান যুক্তি হ'ল— ধৰ্ম আছে কাৰণেই মানুহৰ নৈতিকতা তিষ্ঠি আছে, নহলে ব্যসন-বিকৃতি-ব্যভিচাৰেৰে সমাজ ভৰি পৰিলেহেতেন (ভরে যেত)। এই কথা সঁচা (সত্যি) যে মানুহৰ (মানুষের) নীতিবোধ গঢ় দিয়াত (গড়ে ওঠায়) ধৰ্মৰ কেতবোৰ শিক্ষাই (কয়েকটা শিক্ষা) কিছু পৰিমাণে সহায় কৰে। পিছে (তবে) ইয়াৰ (এর) অৰ্থ এই নহয় (নয়) যে ঐশ্বৰিক শাস্তিৰ ভয়, পাপ-পুণ্যৰ ধাৰণা বা সৰ্বজীৱত ভগৱানৰ অধিষ্ঠানৰ দৰে (অধিষ্ঠানের মতো) ধৰ্মীয় ধাৰণাক বাদ দি (দিয়ে) কোনো নৈতিকতাই থাকিব নোৱাৰে (থাকতে পারে না)। ধৰ্মমুক্ত ধ্যান-ধাৰণাৰ ওপৰত ভেঁজা দিও (ওপরে গুরুত্ব দিয়েও) নৈতিকতাৰ নিৰ্মাণ যে সম্ভৱ তাৰ দৃষ্টান্ত দুষ্প্ৰাপ্য নহয় (নয়)। এইবিধ (এই ধরনের) নৈতিকতা ধৰ্মাশ্ৰয়ী নৈতিকতাতকৈ (নৈতিকতার চেয়ে) উন্নত বুলি ক'লে (বলে উল্লেখ করলে) বোধহয় অত্যুক্তি কৰা নহব (হবে না)।

ধৰ্মৰ নৈতিক ভূমিকা সম্পৰ্কে জ্যোতিপ্ৰসাদৰ বক্তব্য বাৰু কি আছিল (কী ছিল)? ধৰ্মীয় ঐতিহ্যক পুনঃপ্ৰতিষ্ঠিত কৰিলে (করলে) মানুহৰ (মানুষের) মহত্ত্বৰ পুনৰাগমন ঘটিব বুলি (ঘটবে বলে) তেওঁ (তিনি) ভাবিছিল নেকি (ভেবেছিলেন কি)? জ্যোতিপ্ৰসাদৰ ভৱিষ্যৎ-ভাবনাত পৰম্পৰাগত ধৰ্মীয় ধাৰণাৰ প্ৰভাৱ বা প্ৰাধান্য দেখা যায় জানো (কি)? ধৰ্মান্ধতাৰ সাম্প্ৰতিক সম্প্ৰসাৰণৰ পটভূমিত এই প্ৰশ্নবোৰ (প্রশ্নগুলো) বিশেষভাবে গুৰুত্বপূৰ্ণ। আলোচনাৰ শেষাংশত আমি এই বিষয়ে দুআষাৰ লিখা (দু-এক কথা লেখা) উচিত হব বুলি ভাবিছোঁ (হবে বলে মনে করি)। ইতিমধ্যে উল্লেখ কৰিছোঁ (করেছি) যে জ্যোতিপ্ৰসাদৰ মতে সমাজলৈ সৌন্দৰ্য নমোৱাৰ (নামিয়ে আনার) প্ৰয়াসেৰে (চেষ্টায়) মানুহে (মানুষ) ধৰ্মৰ জন্ম দিছিল (দিয়েছিল)। এই ব্যাখ্যাৰ দ্বাৰা জ্যোতিপ্ৰসাদে আচলতে (আসলে) ধৰ্মৰ নৈতিক ভূমিকা আৰু

(এবং) ঐতিহাসিক গুৰুত্বৰ কথা বুজাব বিচাৰিছিল (বোঝাতে চেয়েছিলেন)। কিন্তু মন কৰিবলগীয়া (মনে রাখতে হবে) যে কেৱল এইখিনি কথা কৈয়েই (বলেই) জ্যোতিপ্ৰসাদ ক্ষান্ত হোৱা নাই (হননি)। ধৰ্মৰ ব্যৰ্থতা আৰু বিকৃতিৰ কথাও তেওঁ (তিনি) বলিষ্ঠ আৰু নিৰ্মোহভাৱে সদৰি কৰি গৈছে (প্রকাশ করে গেছেন)। সমসাময়িক সমাজৰ নৈতিক কদৰ্যতাই সম্ভৱ তেওঁক (তাঁকে) ধৰ্মৰ ভূমিকা সম্পৰ্কে সন্দিহান কৰি তুলিছিল (করে তুলেছিল)।

'লভিতা' নাটকত আশ্ৰয়হীনা লভিতাৰ আশ্ৰয়দাতা ইলাহীয়ে খোদাক উদ্দেশ কৰি উচ্চৈঃস্বৰে যি (যে) সুতীব্ৰ অভিমান-অভিযোগ হৃদয় উজাৰি (উজাড় করে) ব্যক্ত কৰিছে (করেছেন) তাৰ মাজেদি (মধ্য দিয়ে) যেন সংবেদনশীল জ্যোতিপ্ৰসাদৰ ক্ষোভ আৰু যন্ত্ৰণাই প্ৰকাশৰ নাটকীয় সুযোগ বিচাৰি পাইছে (খুঁজে পেয়েছে)। মানুহ নামৰ (মানুষ নামের) তথাকথিত জীৱশ্ৰেষ্ঠ প্ৰাণীটোৰ হাতত (হাতে) মানৱীয় মূল্যবোধৰ চৰম অবমাননা দেখি (দেখে) লোক-সমাজৰ প্ৰজ্ঞাক প্ৰতিনিধিত্ব কৰা চিন্তাকুল ইলাহীয়ে চিঞঁৰি উঠিছে (চিৎকার করে উঠেছেন):

*আল্লাহ-তাল্লা! আজি তোমাৰ দুনীয়াখন চয়তানৰ হাতত (শয়তানের হাতে) এৰি দিলা নেকি (ছেড়ে দিলে নাকি)? মানুহলৈ (মানুষের প্রতি) মানুহৰ (মানুষের) মৰম (প্রীতি) নাই, দয়া নাই, কোনেও কাকো চিনি নাপায় (কেউ কাউকে চিনতে পারে না)।... অন্যায়, অধৰম, চয়তানী (শয়তানি), বদমাচি (বদমায়েশি), চুৰি, ডকাইটি (ডাকাতি), অত্যাচাৰ চলিছে দুনীয়াত। খালি টকা (টাকা)— টকা (টাকা)।... দুনীয়াত মানুহেই মানুহ (মানুষই মানুষ)— কিন্তু খোদা— মানুহ নাই, মানুহ নাই (মানুষ নেই, মানুষ নেই)!* (পৃ. ২১৯-২০)

পৃথিৱীৰ বাহ্যিক জক্‌মকীয়া ৰূপে (ঝকমকে রূপ) মানুহৰ (মানুষের) মংগলাকাঙ্ক্ষী জ্যোতিপ্ৰসাদক অকণো (কিছুমাত্র) তৃপ্তি বা সান্ত্বনা দিব পৰা নাছিল (দিতে পারেনি)— 'আজি পৃথিৱীৰ বাহিৰখন ধুনীয়া (সুন্দর)— ভিতৰখন পঁচা।' (পৃ.৫৪৯) জ্যোতিপ্ৰসাদৰ মতে আলোকযাত্ৰী মানুহৰ (মানুষের) 'প্ৰধান সাধনা' হ'ব লাগিব (হতে হবে) মানুহৰ চেতনাত (মানুষের চেতনায়) অন্তৰ সংস্কৃতি প্ৰতিষ্ঠা কৰা। (পৃ. ৫৪৯) কিন্তু কেনেকৈ (কীভাবে) প্ৰতিষ্ঠা কৰা যাব (যাবে) এই আকাঙ্ক্ষিত অন্তৰ সংস্কৃতি? যুক্তিসংগতভাৱেই অনুমান কৰিব (করতে) পাৰি, আজিৰ যুগত এই ক্ষেত্ৰত ধৰ্মৰ বাণীয়ে বিশেষ গঠনমূলক ভূমিকা ল'ব পাৰিব বুলি (নিতে পারবে বলে) জ্যোতিপ্ৰসাদে ভবা নাছিল (ভাবেননি)। কিয়নো (কেননা), তেওঁৰ (তাঁর) মতে, "আজি হেজাৰ (হাজার) বছৰ ধৰি ধৰ্ম প্ৰচাৰকে মানুহৰ হৃদয়লৈ (মানুষের হৃদয়ে) আবেদন জনাই (জানিয়ে) ব্যৰ্থ হ'ল।" (পৃ. ৫৪৯) ধৰ্মপ্ৰচাৰক সকল কিয় (কেন) ব্যৰ্থ হ'ল সেই কথা অৱশ্যে জ্যোতিপ্ৰসাদে ফঁহিয়াই (বিশ্লেষণ করে) দেখুওৱা নাই (দেখাননি)। ধৰ্মৰ বাণী প্ৰচাৰ কৰা মানুহখিনিৰ (মানুষদের) এই ব্যৰ্থতাই কিন্তু জ্যোতিপ্ৰসাদক হতাশ কৰিছিল বুলি মনে নধৰে (করেছিল বলে মনে হয় না)। মানুহৰ (মানুষের) সাংস্কৃতিক উন্নয়ন আৰু (এবং) উত্তৰণৰ পথৰ সন্ধানত (পথের সন্ধানে) জ্যোতিপ্ৰসাদৰ মন অহৰহ ব্যস্ত আছিল। শেষ পৰ্যন্ত তেওঁ (তিনি) নিৰ্ভৰযোগ্য পথৰ সন্ধেদো পাইছিল (সন্ধানও পেয়েছিলেন)— তেওঁৰ (তাঁর) চেতনা ৰঞ্জিত হৈছিল (হয়েছিল) সমাজতান্ত্ৰিক আদৰ্শৰ ৰেঙনিৰে (আলোকে)। এইখিনিতে এটা তাৎপৰ্যপূৰ্ণ কথা উল্লেখ কৰা যুগুত হ'ব (যুক্তিযুক্ত হবে)। জ্যোতিপ্ৰসাদে ধৰ্মীয় ঐতিহ্যৰ পুনৰুত্থান বা শুদ্ধিকৰণৰ কথা নকৈ (না-বলে) বৈপ্লৱিক বাটেৰে (পথে) মানুহৰ (মানুষের) মহান সাংস্কৃতিক যাত্ৰাক আগুৱাই নিয়াৰ (এগিয়ে নেওয়ার) কথা কৈছে (বলেছেন) পৰম আত্মপ্ৰত্যয়েৰে— 'সংস্কৃতি সৃষ্টিৰ বিপ্লৱেই হৈছে (হচ্ছে) সমূৰ্ত অভিযান।' (পৃ. ৫৪৯)

যাজকীয় শক্তি প্ৰাতিষ্ঠানিক ধৰ্মৰ এক অবিচ্ছেদ্য অংগ। 'পোহৰলৈ' ('আলোর দিকে') নামৰ ৰচনাত জ্যোতিপ্ৰসাদে ৰাজকীয় শক্তিৰ লগতে (সঙ্গে) যাজকীয় শক্তিকো গৰিহণা দিয়া (শক্তিরও নিন্দা করা) দেখা যায়। ৰাজকীয় আৰু যাজকীয় শক্তিৰ চৰম বন্ধ্যাত্বৰ স্বৰূপ উদঙাই (উন্মুক্ত করে) তেওঁ কৈছে (তিনি বলেছেন) যে 'পূৰ্ণ সাংস্কৃতিক অৱস্থা' আনি দিয়াৰ পৰিৱৰ্তে "এই দুই শক্তিয়ে আজি মানুহৰ (মানুষের) সমাজকে এটা (একটা) মানসিক ওখ স্তৰৰ পৰা (উঁচু স্তর থেকে) বৰ্বৰতাত পেলালেহি (বর্বরতায় এনে ফেলেছে)।" (পৃ. ৪৯৮) বিভিন্ন ধৰ্মক নেতৃত্ব দিয়া বা প্ৰতিনিধিত্ব কৰা যাজকীয় শক্তিৰ নৈতিক ভূমিকাৰ প্ৰতি জ্যোতিপ্ৰসাদৰ যে কোনো মোহ-মমতা নাছিল (ছিল না) তাৰ প্ৰমাণ এই কথাখিনিত বিদ্যমান। এই খিনিতে (এখানে) উল্লেখ কৰা প্ৰাসংগিক হব যে 'ভাবীকালৰ সংস্কৃতি' নামৰ ভাষণত জ্যোতিপ্ৰসাদে ধৰ্মৰ পীড়নমূলক চৰিত্ৰ আৰু (এবং) বিভেদকামী ভূমিকাৰ প্ৰতিও আমাৰ (আমাদের) দৃষ্টি আকৰ্ষণ কৰি গৈছে (করে গেছেন)। তেওঁ কৈছে (তিনি

বলেছেন)— "আনকি (এমন-কি) ধৰ্মবোৰো (ধৰ্মগুলোও) উৎপীড়নৰ অস্ত্ৰ হৈ পৰিছে (হয়ে পড়েছে) আৰু (আর) সংস্কৃতিৰ কাজিয়াৰ (বিবাদের) কাৰণ হৈ পৰিছে (হয়ে পড়েছে)।" (পৃ. ৪৭৭) আধুনিক মানুহৰ (মানুষের) সাংস্কৃতিক উত্তৰণৰ ক্ষেত্ৰত ধৰ্মৰ যে কোনো সুগভীৰ তথা সুদূৰপ্ৰসাৰী ভূমিকা নাই সেই সত্যৰ পৰা (সত্য থেকে) জ্যোতিপ্ৰসাদৰ উপলব্ধি নিলগত নাছিল (দূরে ছিল না)।

এই বিষয়ে নিশ্চয় কোনো মতানৈক্য নাই যে জ্যোতিপ্ৰসাদৰ সংস্কৃতি-চিন্তাৰ মূল বিষয় হ'ল মানুহ (মানুষ)। ভাববাদী দৰ্শনৰ প্ৰভাৱ থাকিলেও তেওঁৰ (তাঁর) চিন্তা-চৰ্চাৰ (চিন্তাভাবনার) এই বৈশিষ্ট্যটোৰ মহত্ত্ব অনস্বীকাৰ্য। সমাজবদ্ধ মানুহৰ (মানুষের) সামগ্ৰিক অস্তিত্বৰ বহুতো দিশেই (অনেকগুলো দিকই) তেওঁৰ (তাঁর) বহুমুখী চিন্তাত ঠাই পাইছে (চিন্তায় স্থান পেয়েছে)। স্বাভাৱিক সৌন্দৰ্যবোধৰ পৰা (সৌন্দর্যবোধ থেকে শুরু করে) ৰাজনৈতিক মুক্তি তথা অৰ্থনৈতিক সাম্য কোনোটা বিষয়েই তেওঁ (তিনি) বাদ দিয়া নাই (দেননি)। মানুহৰ (মানুষের) এই তৰ্কাতীত প্ৰাধান্যৰ বিপৰীতে তেওঁৰ সংস্কৃতি-চিন্তাত আমি (আমরা) পৰম্পৰাগত ঈশ্বৰ উপলব্ধি, আত্মা-পৰমাত্মাৰ ধাৰণা বা পৰকালমুখী ধৰ্ম-সাধনাৰ কথা নাপাওঁ (পাই না)। জ্যোতিপ্ৰসাদে নানা ধৰ্মৰ মহাসমন্বয়ৰ কথা কৈছে (বলেছেন) যদিও মানুহৰ (মানুষের) সাংস্কৃতিক ৰূপান্তৰৰ ক্ষেত্ৰত ধৰ্মীয় ঐতিহ্যৰ কোনো প্ৰাসংগিকতা আছে বুলি তেওঁ ভবা নাছিল (বলে তিনি মনে করতেন না)। সেই নিমিত্তে 'শিল্পীৰ পৃথিৱী' শীৰ্ষক ভাষণত তেওঁ (তিনি) শিল্পীৰ ৰাজনীতি, অৰ্থনীতি, সমাজনীতি, সমৰনীতি আদিৰ কথাহে কৈছে (কথাই বলেছেন), ধৰ্মনীতিৰ কথা কোৱা নাই (বলেননি)। (পৃ. ৪৪১) জ্যোতিপ্ৰসাদে নিশ্চয় বুজিছিল (বুঝেছিলেন) যে মন্দিৰ-মছজিদ-গীৰ্জা-গুৰুদ্বাৰৰ সংকীৰ্ণ গণ্ডীৰ ভিতৰত শিল্পীয়ে (শিল্পীরা) মানুহৰ (মানুষের) অখণ্ড অবিমিশ্ৰ মহত্ত্বৰ সন্ধান নাপায় (পান না)।

পৃথিৱীৰ ৰেহ-ৰূপ দেখি (অবস্থা দেখে) উদ্বিগ্ন তথা ক্ষুব্ধ হলেও মানুহৰ (মানুষের) ভৱিষ্যৎ সম্পৰ্কে জ্যোতিপ্ৰসাদে কেতিয়াও (কখনো) হতাশাব্যঞ্জক মন্তব্য দিয়া নাই (প্রকাশ করেননি)। তেওঁ (তিনি) বাৰম্বাৰ আমাক (আমাদের) শিল্পীৰ এখন (একটা) নতুন পৃথিৱীৰ কথা কৈ গৈছে (বলে গেছেন)। এই পৃথিৱীত মানুহৰ মাজত (মানুষের মধ্যে) লুকাই থকা (লুকিয়ে-থাকা) শিল্পীজনে প্ৰাণ পাব, অন্তৰ আৰু বহিঃসংস্কৃতিৰ সুষম সম্যক বিকাশ তথা প্ৰকাশে আগজাননী দিব (পূর্বাভাস দেবে) এটা (একটা) উৰ্বৰ-উন্নত মানবীয় সভ্যতাৰ। (পৃ. ৪৭৮) জ্যোতিপ্ৰসাদৰ ভাবধাৰাৰ মৰ্মকথা ফঁহিয়াই চালে (বিশ্লেষণ করে দেখলে) ওলাই পৰে (বেরিয়ে পড়ে) যে তেওঁ কল্পনা কৰা (তাঁর কল্পিত) পৃথিৱীখনত (পৃথিবীতে) নৈতিকতাৰ ভেটি (ভিত্তি) সৌন্দৰ্যবোধহে, ধৰ্ম নহয় (নয়)। এই সৌন্দৰ্যবোধে মানুহৰ (মানুষের) অভিলাষ-অভিৰুচিক নতুন ৰূপ দিব (দেবে), আন্তঃমানৱিক সম্পৰ্কক উজ্জীৱিত কৰিব (করবে) সহযোগিতা-সহিষ্ণুতাৰ মনোভাৱেৰে। জ্যোতিপ্ৰসাদে আচলতে (আসলে) আমাক (আমাদের) ধৰ্মনিৰপেক্ষ-মানৱতাবাদী সংস্কৃতিৰ বাটেৰেহে (পথেই) লৈ যাব বিচাৰিছিল (নিয়ে যেতে চেয়েছিলেন) এখন পোহৰৰ পৃথিৱীলৈ (একটি আলোকিত পৃথিবীতে)। তেওঁ বিচাৰিছিল (তিনি চেয়েছিলেন) মানুহক (মানুষকে) ন-ৰূপ দিবলৈ (নতুন রূপ দিতে), পুৰণি (পুরনো) পৃথিৱীখনক পুনৰ গঢ়িবলৈ (পৃথিবীটাকে পুনরায় গড়তে) :

*শিল্পীৰ মই পালোঁ যে নতুন অৰ্থ,*
*মানুহৰ মহাসত্য*
*মানুহ-শিল্প, মানুহ কেন্দ্ৰীক*
*মানুহেই নিত্যাতীত,*
*মানুহৰ মই ন-ৰূপ দিম,*
*পৃথিৱীখনকো পুনৰ গঢ়িম*
*মোৰ ই দৃষ্টিৰ, নতুন সৃষ্টি*
*অৱশ্যে অব্যৰ্থ,*
*আজি জীৱনৰ অগ্নিক্ষণত*
*স্বাগত সতীৰ্থ।* (৭৬৮)

(শিল্পীর আমি পেলাম যে নতুন অর্থ,
মানুষের মহাসত্য
মানুষ-শিল্প, মানুষ কেন্দ্রিক
মানুষই নিত্যাতীত,
মানুষের আমি নবরূপ দেব,
পৃথিবীটাকেও পুনরায় গড়ব
আমার এই দৃষ্টির, নতুন সৃষ্টি
অবশ্যই অব্যর্থ,
আজ জীবনের অগ্নিক্ষণে
স্বাগত সতীর্থ।) ❑